

[illegible]

STATE CENTRAL LIBRARY
Call No.——
★ ASSAM. ★

# অবধ্য জটায়ু

যতীন গোস্বামী

STATE CENTRAL LIBRARY. ASSAM.
Call No.

চক্রবর্তী পুস্তকালয় । বামুণীমৈদাম । গুৱাহাটী—৭৮১০২১

# ABADHYA JATĀYU

A novel written by Shri Jatin Goswami, Gauhati, and published by Shri Dhareswar Chakravarty, M/S Chakravarty Pustakalaya Bamunimaidan, Gauhati—781021, Price Rupees Five only.

প্ৰকাশক : শ্ৰীধাৰেশ্বৰ চক্ৰৱৰ্তী ০ চক্ৰৱৰ্তী পুস্তকালয় ০ বামুণী মৈদান ০ গুৱাহাটী—৭৮১০২১ ॥

॥ প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ১৯৮০ ॥

॥ বেটুপাত : শ্ৰীবেণু মিত্ৰ, গুৱাহাটী ॥

॥ মুদ্ৰণ : শ্ৰীদিবাকৰ শৰ্মা ০ কলা প্ৰেছ ০ [illegible] ৰোড ০ গুৱাহাটী—৭৮১০০৪ ॥

॥ ব্লক : দি প্ৰচেছ, গুৱাহাটী ॥

মূল্য— পাঁচ টকা মাথোন

# লিখকৰ প্ৰস্তাৱ

এক নৱেম্বৰ (১৯৮০)ৰ দিনা দিচপুৰ আবা-সত থকা বিধায়কসকলক ঘেৰাও কৰিবলৈ 'দিচপুৰলৈ চলক' কাৰ্য্যসূচীৰ লাখ লাখ আন্দোলনকাৰী গৈছিল। অহিংস আন্দোলনকাৰীসকলৰ ওপৰত পুলিচৰ নিৰ্মম লাঠি-চালনা, কন্দুৱা গেছ আদি প্ৰয়োগ হ'ল। পুলি-চৰ গোৰ লাঠি আৰু কোবত হাড়ভগাৰ ফলত মই হাস্পাতালত থাকিব লগা হ'ল। হাস্পাতালৰ পৰা মুক্ত সময়ত ওলালোঁ। চিকিৎসকে দিয়া পৰামৰ্শ অনুসৰি লৈ থকা 'জিৰণি'ৰ এপেকেকৰ ভিতৰতে জন্ম হ'ল 'অসমী আইৰ'ৰ।

উপন্যাসখন ইমান সোনকালে প্ৰকাশ কৰাৰ কথা ভবা নাছিলোঁ। বহুজন সহকৰ্মীৰ দাবীত বাধ্য হলোঁ। চক্ৰৱৰ্ত্তী পুস্তকালয়ৰ অধ্যক্ষ বন্ধুবৰ শ্ৰীধৰেশ্বৰ চক্ৰৱৰ্ত্তীৰ খেচ্‌খেচনিও অৱশেষত অসহনীয় হৈ পৰিল। সাতে-পাঁচে লেঠা ছিগক বুলি দি দিলোঁ তেওঁলোকক—যি কৰে কৰক বুলি।

"অসমৰ এনেকুৱা এটা বৃহৎ আন্দোলনৰ মাজত এজনে কেতিয়াও আৱদ্ধ হৈ এখন উপন্যাস লিখাৰ নিচিনা কামত থাকিব নোৱাৰে, ধৰাকৈৰ অৰ্থ—হয় তেওঁ আহে-চিতে আন্দোলনত নাজাপি কাঁপি দিছে নহয় আন্দো-লনক তেওঁ উপন্যাসৰ সমল বুলি লৈছে। মই আচ-লতে কোনবিধত পৰিব পাৰো নাজানো, কিন্তু কলম

আৰু অন্য একেলগে চলোৱাৰ উদাহৰণবোৰকে যদি কেতিয়াবা মুৰত তুলি লবৰ প্ৰয়াস কৰোঁ।

সহকৰ্মী ভবেন শৰ্মা, প্ৰবীন পগে, চন্দ্ৰ পাটোৱাৰী, নিশিপদ চৌধুৰী আদি বহুজনৰ উপৰিও শ্ৰীনন্দ তালুকদাৰ ডঃ হেমন্ত কুমাৰ শৰ্মা, আৰু কুমাৰ কিশোৰৰ উৎপাত নহলে পলাতক অৱস্থাৰ মাজতে লিখি থকা আধকৰা খনৰ নিচিনাকৈ এইখনো পৰি থাকিলহেঁতেন।

ধন্যবাদ দিবলৈ কাকো নাই। উপন্যাসখনে যদি কেতিয়াবা কাৰবাত কিবা সহায় কৰে তেনেহলে লিখক স্বাভাৱিকতে সুখী হব।

ডিচেম্বৰ, ১৫, ১৯৮০
কংবাচল ৰোড
গুৱাহাটী—৭৮১০০৩

## ॥ এক ॥

মুগুৰীয়া গাওঁৰ পূবফালে বিহাময়লাৰ যিটো খোবাৰ ঘাট আছে তাৰে ঠিক অলপমান উত্তৰে মানুহবোৰ জমা হৈছিল। নাকত কাপোৰ দি দি কিছুমানে পাৰৰ পৰাই আৰু কিছুমানে পানীত নামি জুমি জুমি চাইছিল।

কিছুমানে কৈছিল, “—এটা”

কিছুমানে কৈছিল, “এটা নহয়—ভালকৈ চা,—দুটা। আচলতে দুটা আছিল নে এটাকে দুটা যেন দেখা গৈছিল এই প্ৰশ্নটোৱেও কৌতূহলৰ সৃষ্টি কৰিছিল।

এটা সময়ত পুলিচ আহিল। পানীৰ পৰা শ টো টানি নি বামত তুলিলে। দুৰ্গন্ধত মানুহবোৰ ছিটিকি বোৱাৰ নিচিনাকৈ আঁতৰি গল যদিও দেং মেলি মেলি পাৰে মানে আগবাঢ়ি আগবাঢ়ি চাই মুখেৰে কোনেও একো শব্দ নকৰাকৈয়ে ইজনে সিজনক প্ৰশ্নবোধক দৃষ্টিৰে চালে আৰু পিছত সুধিলে,

: মূৰটো নাই কিয়

: মানুহজন কোন হব পাৰে

: কোনে মাৰিব পাৰে

শ-টোৰ কাষে চাই কেইজনমানে সিদ্ধান্ত দিয়াৰ নিচিনাকৈ ক'লে: তিনি-চাৰিদিনৰ ভিতৰতে মানুহজনক কোনোবাই কাটিছে।

কেইখনমান আগতে হাজোৰ ওচৰত চাৰিজন মাহমৰীয়া নোহোৱা হৈছিল, বৰপেটাৰ জেলাৰ ওচৰত দুজন যুবক মাছ মাৰিবলৈ গৈ নাইকিয়া হৈছিল, ৰিহাবাৰীৰ ওচৰত এখন জীপ গাড়ীৰ ড্ৰাইভাৰজন নাইকিয়া হৈছিল, আৰু মাৰ্ঘেৰিটাৰ,...তিনি-

চুকীয়াত…… … চেকীয়াফুলীত …… … ইত্যাদি বহু ঘটনাৰ কথা ঘূঁৰি ৰবি দুই-চাৰিয়ে মন্তব্য কৰিলে—

: ইয়াকো বিদেশী মানুহেই কাটিলে।

কিন্তু মানুহজন কোন?

চিনাক্ত কৰিব কোনে?

বিজুলী সঞ্চাৰে কথাটো প্ৰচাৰ হ'ল। এক কৌতূহল লৈ ওচৰ পাজৰৰ মানুহ হিলদ'ল পাৰি ভাঙি আহিল।

সকলোৰে মাজত সেই একেটা প্ৰশ্ন, তাৰ পিছত যুক্তি—

: কোন হ'ব পাৰে সেই মানুহজন …

: ওচৰ পাজৰৰে হ'ব লাগে, বিচাৰলাৰ পানীৰ সোঁত নাই যে শ-টো উটি আহি ইয়াতে ঠেকা খাই ৰবহি;

: কৰবাত কাটি মাৰি ইয়াতে পেলাই গৈছে;

: পানীত পেলাই হেঁচা মাৰি ধৰি কানি-খুতি মাৰিলে আৰু পিছত মূৰটো কাটিছে—সেই মূৰটোও বিচাৰিলে পানীতে ওলাব।

কিন্তু মানুহজন কোন! ঘৰ ক'ত বয়স কিমান!

এনে এক সকৰুণ আৰু নির্মম ঘটনাক আগত লৈ বৰ নোৱাৰিলে যোগানন্দই। সি চৌখুটিয়েদি জালাহলৈ, নিকাচীয়েদি কদমতললৈ, বৰমাইদি মাথিবাহালৈ আৰু পিছত বৰসাহাৰেদি ঘূৰি হৈ প্ৰচণ্ড গতিত দৌৰি দৌৰি দিনটোৰ ভিতৰতে মানুহবোৰক খবৰ দি আহি গম পালে যে শ-টো ইতিমধ্যে থানালৈ নিয়া হৈছে আৰু মৰণোত্তৰ পৰীক্ষাৰ কামো শেষ হৈছে।

যোগানন্দৰ ভাগৰ লাগিছিল।

দৌৰৰ ক্ষেত্ৰত এক অবিশ্বাস্য শক্তিৰে শক্তিমন্ত যোগানন্দক মানুহবোৰে অভিযোগ কৰি কৈছিল:

“তোক কিহে পাইছে ইমানবোৰ ঠাইলৈ দৌৰি মৰিবলৈ? দৌৰিব পাৰিলি বুলিয়েই এনেকৈ দৌৰিবিনে? ঘটনা মানেই বতাহ। লগা মানুহে খবৰ পালেই নিজে নিজেই নাহিলহেঁতেন নেকি? তই এনেকৈয়ে মৰিবি কেতিয়াবা।

উত্তৰত যোগানন্দই কৈছিল, “তোমালোকেতো আৰু নোবোজা — এই মানুহজনৰ খবৰ উলিয়াব নালাগে নেকি, পলম পলম হৈ নাযায় নেকি — মৰোঁ। যদি মৰিম দিয়া।”

অৱশ্যে কথাটো যোগানন্দই এবাৰ নিজাকৈ নভবাও নহয়. সি নগলেও চলহেঁতেন — কিন্তু গৈয়েতো একো বেয়া কাম কৰা নাই।

সন্ধিয়া কালদিয়াৰ পাৰত বহুত মানুহ গোট খাইছিল। কাষৰ শিৱধামত তেতিয়া চাকি জ্বলিছে।

শিৱধাম যোগানন্দৰ এক প্ৰেৰণা উৎস। সি বহুবাৰ বহুতৰ আগত প্ৰকাশ কৰিছে যে শিৱধাম তাৰ বৰ ভাল লাগে, শিৱক ভাবিলেই সি এক অফুৰন্ত শক্তি পোৱা যেন পায়। মাকেও যেনো যোগানন্দক সৰুৰে পৰাই বুজাই আহিছে যে শিৱশক্তি এক মহাশক্তি; ‘শিৱই সত্য, শিৱই শিৱ, শিৱই সুন্দৰ’।

মূল মন্দিৰৰ দুৱাৰমুখতে পাৰি থোৱা পাটীত বহি চক্ৰধৰক ক'লে, “শিৱক তই ভাবচোন — মনটো কেনে হৈ

যায় চা। আৰু কি জান—ভাবিলে ভাগৰো পলায়।" তাৰ পিছত শিৱলিঙ্গটোৰ কাষলৈ একান্ত মনে চাই সি আকৌ ক'লে, "মামাইও মোক সৰুতে পৰা শিৱৰ কাহিনীবোৰ কয়, শিৱৰ দীঘল দীঘল জটাবোৰৰ কথা কয়—এই জটাইদি যোগে গঙ্গা নামিছিল। পিছে কি হ'ল জান, মামাৰ নিজৰেই চুলিত মহাদেৱৰ নিচিনাকৈ জটা বান্ধিলে; কাটি পেলায়—আকৌ বাঢ়ে। এতিয়া আৰু নাকাটে, চুলিবোৰ মস্ত দীঘল দীঘল সাপৰ নিচিনা লগা হ'ল।"

চক্ৰধৰে মন্তব্য কৰি ক'লে, "তেনে চুলি কাটিব নাপায় —পাপৈকে বেয়া।"

"ওঁ, মায়ো তেওঁক কৈছে বাখি থবলৈ। একেটা ভাবেকতো! মৰম বেছি"—কথাখিনি সক ল'বা এটাই কোবাদি ক'লে।

ছয়ো হাঁহিলে।

হঠাৎ সিহঁতৰ হাঁহি বন্ধ হৈ গ'ল। কোনোবা এজনে আন্ধাৰৰ মাজৰ পৰাই মাতিছিল, "যোগানন্দ!"

সি উভতি চালে। আন্ধাৰত একোকে নমনি। নিজে উঠি আগবাঢ়ি আহিল আৰু সুধিলে, "কোন!"

"শুনচোন—আগবাঢ়ি অ'হ"—কণ্ঠস্বৰ লভিকৰ। যোগানন্দ অপ্ৰস্তুত হ'ল।

"বলচোন থানালৈ—"

"কিয়"—সংশয় মিহলি ভাব প্ৰকাশ কৰি ক'লে, "মই থানালৈ? কেলেই!"

"বলচোন, আইতাও আহিছে·········কান্দিব লাগিছে' —লভিকে একে উশাহতে কৈ পেলালে।

একৰকম ধুমুহাৰ গতিৰে দৌৰ মাৰিলে যোগানন্দই। পাছে পাছে মানুহবোৰ।

ইতিমধ্যে থানাৰ চৌহদ লোকে লোকাৰণ্য হৈছিল।

সমাগমৰ মাজেদি বাট উলিয়াই থানা পাবলৈ যোগা-নন্দক সময় লাগিছিল। তেতিয়াই সি মানুহবোৰে কোৱা-কুই কৰা শুনিছিল: তাৰ নিজৰ মাটিৰ ধান বিদেশীয়ে কাটিবলৈ গৈছিল, সি বাধা দিছিল .........সিহঁতেই তাক কাটিলে ..

থানাৰ কাষলৈ গৈ যোগানন্দই দেখিলে যে এটা পেট্ৰোমাক্স লাইটৰ পোহৰত এটা মৰাশ ৰাখি মানুহবোৰে বৃত্তাকাৰে ঘেৰি বৃহৎ এক ধুমুহাৰ পিছত থিয় হৈ থকা শাল গছৰ নিচিনাকৈ থিয় হৈ আছে আৰু কাষতে বহি কান্দি আছে একনী বুঢ়ী মানুহে।

সি ওচৰ চাপিল।

"—মা!" একৰকম চিঞৰাৰ দৰেই শব্দ কৰি সি মাকক সাৱতি ধৰিলে। প'ৰবেশটো কেনেধৰণৰ হৈছে এবাৰ ভাবিলে আৰু তাৰ পিছত শটোৰ কালে চাই সুধিলে, "কি হৈছে?"

"তোৰ মোমায়েৰক কাটিলে বোপাই ঐ—তাক সিহঁতে কাটিলে।"

বুকুৰ ভিতৰত কোনোবাই যেন যোগানন্দক এটা ডাঙৰ কোৰ সোধাইছে। চকুৰ আগত কিবা বিজুলীয়ে যেন চক-মকাইছে। সি অন্ধ হোৱাৰ নিচিনা অনুভৱ কৰিলে।

চকু দুটা এবাৰ মোহাৰি যোগানন্দই খিৰ হৈ সন্মুখৰ শ-টোৰৈ এইবাৰ ভালকৈ চাই পঠিয়ালে :

: এটা মুণ্ডবিহীন মানুহৰ মৰাশ;

: দীঘল কাঙ্কৰ সেই দুটা সুঠাম বাহু সেইকেইটা আঙুলি—ঠিক মোমায়েকেই হয়;

: ভৰিৰ বহল পতা, সোঁভৰিৰ বুঢ়া আঙুলিটো বাহিৰৰ ফালে ওলাই অহা, বাওঁভৰিৰ পতাৰ ওপৰত এবাৰ খৰি কাটোঁতে কুঠাৰে কটা ডাঙৰ চিনটো—ঠিক মোমায়েকেই হয়;

: এবাৰ বাঁহ কাটোঁতে বাঁহৰ পাঠি এটাৰ প্ৰচণ্ড আঘাতত ঘা লাগি ওখ বহল বুকুখনৰ সোঁমাজত এটা চিন বৈ গৈছিল—ঠিক মোমায়েকেই হয়;

: যোলমাইল দূৰত পাম ধৰি কৰা খেতিৰ পকা ধান কোনোবাই কাটি আছে, আৰু সেইবোৰ নতুন নতুন অচিনাকি মুখৰ মানুহ বুলি শুনি চাৰিদিন আগতে তেওঁ যোগানন্দক কৈছিলহি, "বোপাই, ধানখিনি কাটিবলৈ আজিকালিতে যাওঁ বুলি ঠিক কৰি থৈছিলোঁ, এতিয়া বোলে কোনোবাই আহি কাটিবলৈ ধৰিছে—যাওঁচোন। পাৰিলে ভই কথাখিনি এমেলেক কৰি, নহলে আমিবোৰ খকা টান হৈছে"—ঠিক মোমায়েকেই হয়।

কিন্তু মৰাশটো বিছানাৰ সেই ঘাটত ওলাল কেনেকৈ!

যোগানন্দ থিৰে থাকিব নোৱাৰিলে। তাৰ গোটেই গা'টো যেন চাৰিওফালৰ পৰা অজস্ৰ কাড় আহি বিন্ধি পেলাইছে; মৰণান্ত সি প্ৰাণৰ কাৰণে উৰাউল হৈ পৰিছে।

সি থিয় হ'ল আৰু লগে লগেই এক তীব্ৰগতিত দৌৰ মাৰিলে। বাওঁতে কাষতে থকা লখিকক ক'লে, "লখিক, আৰু ভয়ো— এবেলেক কথাটো কওঁগে—বিচাৰ কৰক, সিইতক কি কৰে কৰক ........ ... "

সিহঁতে 'এখেলে'ৰ ঘৰ পালে।

চৌপদত অলেখ মানুহ। মানুহবোৰে কৈছে, "এই বিদেশীসকলক খেদি উলিয়াই দিবৰ ব্যৱস্থা কৰক, আপুনি আমাৰ বাইজৰ প্ৰতিনিধি—বাইজৰ কথাষিনি চৰকাৰক কওক .. ... ... ..."

মানুহৰ ভীৰ ঠেলি যোগানন্দ আৰু লখিক আগবাঢ়ি গ'ল। থিয় হৈয়েই ক'লে,

"আপুনি আহক, বিদেশী লোকে ধান কাটি নিবলৈ আহোঁতে মামাই বাধা দিবলৈ গৈছিল, সিহঁতে তেওঁক কাটিলে, লাচটো থানাতে আছে ....... .......আপুনি আহক— কিবা এটা কৰক।"

"এইবোৰ'ল মোক মাতিছা কেলেই? পুলিচে কেচটো লৈছেই নহয়, পিছত দৰকাৰ দেখিলে মইতো যামেই।"

'বিদেশীয়ে আমাৰ মাটি-বাৰীত বল কৰি ঘৰ সাজিলে, ভাকে ভাকে কাকতী ফৰিঙৰ দৰে আহি খেতি-বাতি কাঢ়ি খালে, হাবি-বন শেষ কৰি............" কোনোবাই চিঞৰি চিঞৰি প্ৰশ্ন কৰিলে, "তথাপি আপোনালোকে দৰকাৰ বোধ কৰা নাই?"

"আৰু যদি ৰাইজৰ কথাখিনিয়ে আপুনি চৰকাৰক বাধ্য কৰাব নোৱাৰে আপুনি পদত্যাগ কৰক"—কোনোবা এজনে ক'লে।

মানুহবোৰৰ মাজৰ পৰা ইমানবোৰ কথা আৰু প্ৰশ্ন উচ্চাৰিত হবলৈ ধৰিলে যে এটা সময়ত কোনেও কাৰো কথা শুনুজা হ'ল, সমুদ্ৰৰ প্ৰকাণ্ড ঢৌবোৰত ঢৌ লাগি উঠা শব্দৰ ঝংকাৰে এক বিৰাট সন্মিলিত শব্দৰ সৃষ্টি কৰি ওপৰৰ বায়ুমণ্ডলক প্ৰভাৱ কৰাৰ নিচিনাকৈ এই সন্মিলিত শব্দবোৰে বায়ুমণ্ডলক প্ৰভাৱ কৰিবলৈ ধৰিলে। ঘৰৰ বাৰাণ্ডাত থিয় হৈ বিধায়কজনে কেতিয়াবা দুয়ো হাত মেলি, কেতিয়াবা দুয়ো হাত-যোৰ কৰি কিবা কৈছিল; তেওঁৰ কথাৰ শব্দবোৰেও সেই বিৰাট শব্দভাণ্ডাৰত মিলি গ'ল।

শেনটো হৈ যোৱা যোগানন্দই ঠিক কেফালৰ নিচিনাকৈ নাছিল; অথচ এক নিৰ্বাক প্ৰাণীৰ দৰে থিয় হৈ এক অভাৱনীয় দৃশ্যৰ এজন নিৰৱ দৰ্শক হৈ ৰ'ল। কাষতে থিয় হৈ থকা লক্ষিকক বাওঁহাতেৰে আৰু ওচৰলৈ চপাই আনি মুখেৰে কিবা এটা ক'লে, লক্ষীয়ে কিন্তু একো নুবুজিলে।

। দুই ।

হত্যাকাণ্ডটো কেনেকৈ ঘটিল, ক'ত ঘটিল এইবোৰ কথা ভাবি ভাবি গোটেই নিশাটো যোগানন্দই শুব নোৱাৰিলে। ভুগি পোৱা মানুহৰ নিচিনাকৈ যন্ত্ৰণা আৰু মানসিক উত্তেজনাত সি শোৱাপাটিত চটফটাই থকাৰ পিছত এবাৰ সিদ্ধান্ত কৰি পেলালে যে বাস্তিপুৰাতেই সি যোমায়েকৰ পাঘৰলৈ গৈ নিজে এবাৰ চাই আহিব আৰু ঘটনাটো কেনেকৈ ঘটিবলৈ পালে তাকো কিবা বুজ লব পাৰি নেকি চেষ্টা কৰিব।

এইবাৰ সি ভাবিলে: বাস্তিপুৰা সি নিজে যাবই যেতিয়া কথাবোৰ এতিয়া মনতে পাগুলি থকাৰ কোনো আৱশ্যকতা নাই। সেইবোৰে বহুত নতুন নতুন সন্দেহ আনি দিয়ে আৰু সেই ভাবনাবোৰৰ কতো অন্তও নহয়। গতিকে পাৰিলে অলপ টোপনি আনিবৰ চেষ্টা কৰা ভাল। দৌৰি থাকিলে তাৰ এনেয়ে ভাগৰ নালাগে, আৰু ভাগৰ বোলা বস্তুটো কেনেকুৱা সি আজিলৈকে একেবাৰে গম পোৱা নাছিল। আজি কিন্তু সঁচাকৈয়ে অনুভৱ কৰিছে যে তাৰ গাটো কিবা বিষোৱা বিষোৱা লাগিছে, হাত-ভৰিবোৰ কিবা দুৰ্বল মানুহৰ নিচিনা হ'ল, বুকুখন কিবা অস্থিৰ অস্থিৰ লগা হ'ল, আৰু মূৰটো—মূৰটো যেন তাৰ নিজৰ নহয় এনেকুৱা লাগিল। সি ভাবিলে যে টোপনি আহিলে সকলো ঠিক হৈ যাব—গাটোও আগৰ নিচিনা ভাল লাগি যাব।

গ[illegible] গ[illegible]টো [illegible] [illegible] [illegible] সি [illegible]ইবোৰ চিন্ত কৈ [illegible]ই ল'লে মনটোত যাতে আন কোনো ধৰণৰ চিন্তাই বাঁহ [illegible] নোৱাৰে তাৰ কাৰণে সি যত্ন কৰিলে। যত্ন কৰিছেহে—এনেতে সি বাহিৰত কাৰোবাৰ পদশব্দ শুনা যেন পালে। তাৰ পিছত চকু দুটা মেলি কাণ থিয় কৰি সেয়া আচলতে কাৰোবাৰ ভৰিৰ শব্দ হয় নে নহয় বুজিবৰ চেষ্টা কৰোঁতেই তাৰ কাণত পৰিল এটা ক্ষীণ কণ্ঠস্বৰ :

"ৰোগো—ম' ৰোগো ...... ......"

মাতটো কাৰ হব পাৰে অ।ন্দাজ কৰিব নোৱাৰি সি বিচনাতে উঠি বহিল আৰু সুধিলে,

"কোন— ?"

"—মই।"

সি বুজি পালে' সেই মাত লক্ষিকৰ।

"—লক্ষিক ?"

"হুঁ—তই সাৰ পালি, নে সাৰে আছ ?"

বিচনাৰ পৰা উঠি দুৱাৰখনৰ খিলাটো খুলি খুলিয়েই ক'লে, "নাই টোপনি অহা নাই, আজি টোপনি নাহে। আহ ভিতৰলৈ।"

লক্ষিকে ভিতৰ সোমোৱাকৈয়ে ক'লে, "কথা ডাঙৰ হ'ল—বুজিছ ?"

আৰু কিবা এটা ভয়ংকৰ বতৰাৰ আশংকা কৰাৰ নিচিনাকৈ সি সুধিলে,

"কি— ?"

“শামৰ মাটিবোৰত ধালে কালি ৰাতিৰ ভিতৰতে দুশমান বিদেশীয়ে ঘৰ সাজি পেলালে। ওচৰৰ বড়োসকলৰ গাঁওটো বোলে বল কৰি ঘৰ সাজিছে।”

যোগানন্দই এইখিনি কথাৰ বিষয়ে কি কব একো ভাবি নাপালে। ক’লে, “আহচোন ভিতৰলৈ।”

লতিফ ভিতৰলৈ গৈ বহিল।

“মই এটা কথা ভাবিছিলোঁ যে ৰাতিপুৱা গৈ শামৰ পথাৰখনৰ কি গতি হৈছে চাই আহিম, তাৰ পিছত ঘটনাটোৰ বিষয়েও কিবা গম পাব পাৰি নেকি..............”

“গম আৰু কি লবি; যি শুনিছোঁ—শামত আৰু কাৰো মাটি নাই—গোটেইখিনি সিহঁতৰ দখললৈ গৈছে। আৰু ঘটনাটোৰ বিষয়ে তাত কেনেকৈ কি গম পাবি?”

কিবা এটা আশা কৰাৰ কথা বাদেই—যোগানন্দৰ নিৰাশ হবলৈও যেন একো নাথাকিল। সি ক’লে, “তেনে-হলেতো নায়েই, নে কিবা ভাবিছ?”

“ভাবিবি আৰু কি, আমি ভাবিয়েইবা কি কৰিম! মূঠতে কথাবোৰ একেবাৰে ভাল নলগা হৈছে। শুবলৈ চেষ্টা কৰিও পৰা নাই; তাতে আকৌ কি হৈছে জান—তাইৰ গা ভাল নহয়। সময়ো বোলে হৈছে। আজি তাই হেনো কিবা অসুবিধা অসুবিধা পাইছে। মই ভাবি-ছিলোঁ—ডাক্তৰকে সোধোঁগৈ নেকি! অকলে তাইক ঘৰত এৰি থৈ যাবলৈ ভাল লগা নাই।”

'নালাগে যাবলৈ ভই, ভই যবলৈ যা—মই ডাক্তৰৰ ভালৈ গৈ দৈ আহোঁ।"

সিকোঠাৰ দুৱাৰখন কেৰেককৈ খোলাৰ শব্দ এটা হ'ল। ইয়াঁতে বুজি পালে যে সিটো কোঠাত বুঢ়ীও সাৰে আছে। অৱশ্যে মাকৰ মনৰ অৱস্থা কেনেকুৱা হৈ থাকিব পাৰে এই কথা যোগানন্দই অনুমান কৰিছিল যদিও বিচনাৰ পৰা মাকক উঠি অহাটো সি ইচ্ছা কৰা নাছিল। বুঢ়ীয়ে একো গম নাপাওক বুলিয়েই লভিকেও কথাবোৰ সৰু সৰুকৈয়ে কৈছিল। কিন্তু দুয়োকে আচৰিত কৰি বুঢ়ী ওলাই আহিল আৰু সুধিলে, "কি হৈছে অ' লভিক ?"

প্ৰায় অপ্ৰস্তুত হোৱাৰ নিচিনাকৈ লভিকে ক'লে "নহয়—মানে ভাই কিবা অসুবিধা অসুবিধা লগা বুলি কৈছে।"

"নালাগেচোন ডাক্তৰ এতিয়াই—বল মইয়েই চাই আহোঁ।

এঘণ্টামান পিছত বুঢ়ী উভতি আহিল আৰু আহিবৰ পৰত কৈ আহিল, "নাই হোৱা একো ভাইৰ। কেতিয়াবা তেনেকুৱা হয়েই। শুই থাক............... ।"

## ।। তিনি ।।

ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজে ৰাজত্ব লোৱাৰ প্ৰায় এশবছৰ পিছৰ কথা। মাধৱ কন্দলি ৰামায়ণখন সঁচি পাতত শুদ্ধভাৱে নকল কৰি মাজে মাজে মাজে ৰামায়ণৰ কাহিনীৰ ৰঙীণ ছবি আঁকি মানুহক চমক লগাব পৰা কোনোবা-জন কাকতিৰ বংশৰে গেৰেলা কাকতিৰ পুত্ৰ জগত পালো-ৱানৰ কথা নজনা মানুহ এসময়ত অতি কমেই আছিল বুলি আজিও মানুহে কোৱা-কুই কৰে। গেৰেলা কাকতি অছিল প্ৰসিদ্ধ সন্তৰণবিদ; সাতোৰত ঘৰিয়াল আৰু শিহু এই দুয়ো প্ৰাণীৰ এবিধৰ নহয় এবিধৰ তেজ কেনেবাকৈ এওঁৰ গাত লম্ভিল বুলি এওঁক কব লগাৰ কাৰণো আছিল। যেনে: জৰ বাৰিষা ফেন ফোটোকাৰে দুৰ্বাৰ গতিৰে বৈ থকা ব্ৰহ্মপুত্ৰটো গুৱাহাটীৰ কাছাৰীঘাটৰ পৰা সাতোৰ মেলি কৰ্মনাশা আৰু উমানন্দৰ মাজৰ কোবাল সোঁত ভেদ কৰি বজাদুৱাৰ ঘাট চুই পুনৰ একে বাটে উজতি কাছাৰীঘাট পাবলৈ তেওঁক হেনো তিনিখনমান তামোল খোৱাৰ নিচিনা সময়হে লাগিছিল। এবাৰ নে দুবাৰ গেৰেলা কাকতিয়ে ব্ৰহ্মপুত্ৰ আৰু বেকীৰ সঙ্গম স্থলৰ পৰা শাওণমহীয়া ভৰ নৈৰে উজাই সাতুৰি সৰভোগৰ ঘাটটো পাওঁতে বোলে লাগিছিল মাত্ৰ আধাবেলা

এবাৰৰ এটা ঘটনা।

উজনি অসমৰ কোনোবা এখন চাহ বাগিছাৰ চাহাব মেনেজাৰজনে বিলাতলৈ গৈ নতুনকৈ বিয়া কৰাই অনাৰ পিছত দুয়ো মেম-চাহাবে বঙাইগাওঁৰ ওচৰৰ কোনোবাখন চাহ বাগিছালৈ মিতিৰ খাবলৈ আহিছিল।

শাওণৰ মাহ। একে লেঠাৰিয়ে কেবাদিনো বৰষুণ দিছিল আৰু সেই বৰষুণতে বাৰিষাৰ প্ৰথম ঢলটো নামিছিল। প্ৰৱল গতিত বাঢ়ি অহা বানপানীয়ে পথাৰ, আলি, পদুলি, বুৰাই পেলাইছিল।

ফেনে-ফোটোকাৰে বাঢ়ি অহা বানপানীৰ এনেহেন দৃশ্য দেখি অসমলৈ নতুনকৈ অহা গাভৰু মেমজনীৰ মনত বোমা-ঞ্চকৰ শিহৰণ উঠিল। অসমৰ বানপানীৰ কথা তেওঁ গিৰিয়েকৰ মুখত আগতে শুনিছে। শুনি তেওঁৰ মনত জাগিছিল এক প্ৰৱল আকাঙ্ক্ষা—সেই বানপানীৰ দৃশ্য উপভোগ কৰাৰ।

গতিকে হাতলৈ পোৱা এই সুযোগ তেওঁ এৰি দিব খুখুজিলে। বঙাইগাওঁৰ পৰা উভতি-যাত্ৰা কৰিবৰ সময়ত হেনো সিখন বাগিচাৰ মেনেজাৰ আৰু তেওঁৰ মেমজনীয়ে এওঁলোকক কৈছিল:

"বানপানীয়ে বাট-পথ বুৰাই পেলাইছে। এই বতৰত গাড়ী চলাই গলে বাটে পথে অসুবিধা পাবা—কৰবাত বাটতে বৈ থাব লাগিব। তলে-ওপৰে পানী লৈ তোমালোকক যাবলৈ দিবলৈ আমাৰ মন যোৱা নাই।"

ইজন মেনেজাৰে ক'লে,

"একো নহয় দিয়ক—গাড়ীৰ কণ্ডিচন ভাল," ঘৈণীয়েকৰ

কালে আঙুলিয়াই ক'লে, "এওঁলো অসমৰ বানধাৰী উপ-ভোগ কৰিবলৈ ববকৈ আগ্ৰহ কৰি আছে। এওঁ এই সু-যোগটো এৰি দিবলৈ ভাল পোৱা নাই।"

ইভলীয়েও ক'লে, "যদিহে অসুবিধা পাওঁ তথাপিও বৈ যাম। বৈ যোৱা ঠাইবোৰৰ আৰু বেছি উপভোগ্য হয়।"

গিৰিয়েক-ঘৈণীয়েক দুয়ো গাড়ীত উঠিল। গিৰিয়েকে গাড়ী চলাইছে আৰু কাষতে বহি সম্মুখৰ অপূৰ্ব দৃশ্য উপ-ভোগ কৰি গৈছে ঘৈণীয়েকে। ওপৰৰ পৰা পৰি আছে ধাৰাসাৰে বৰষুণ।

গোহাইকমল আলিটো তাহানিৰ—ৰজা নৰনাৰায়ণৰ দিনৰে। হলেও এই আলিটো কেঁচা হৈয়ে আছে।

ঠায়ে ঠায়ে বোকাপানীৰ মাজেদি গাড়ীখন চলাই যাওঁতে চাহাবজনে যথেষ্ট সতৰ্কতা অবলম্বন কৰিছে।

আলিৰ দুয়োকাষে পানী—কেৱল পানী। এখন সাগৰৰ মাজেদি যেন এটা বাজআলি গৈছে আৰু এই বাজআলিৰ ওপৰেদি কিবা এক তাণ্ডৱ বিজয়ৰ অভিযান লৈ আগ-বাঢ়ি গৈ আছে মটৰেৰে এহাল দম্পতী। অপৰূপ দৃশ্যত অভিভূত হৈ ঘৈণীয়েকে একোবাৰ গিৰিয়েকৰ বাহুত খামোচ মাৰি ধৰি কয়, "চোৱানা..........গাড়ীখন অলপমান ৰখাই দিয়ানা ..........।"

অতি সন্তৰ্পণে গাড়ী চলাই অহা চাহাবজনে অসুবিধা পাই কৈ উঠে, "মৰিব খুজিছা নেকি—মই যদি বাটতে নাচাই বানপানী উপভোগ কৰিবলৈ চকু সিকালে নিওঁ গাড়ীয়ে বাট এৰি পানীত সোমাবগৈ।"

ঋষেণীয়েকে গিৰিয়েকক এৰি দিয়ে

ৰাজআলিৰ ওপৰেদি ঠায়ে ঠায়ে পানী বাগৰিছে ঠায়ে ঠায়ে চাপৰ ঠাই বুলি বাটৰ ওপৰত পানী একাঠু হৈছে এঠাইত চাৰাবে গাড়ীখন ৰাখি দিলে। সন্মুখত এক কাল'ংমানলৈকে আলিৰ ওপৰেদি জিৰজিৰকৈ পানী এনেভাবে বৈ গৈছে যে মূল আলিটো কৰবাত কৰবাত ধৰিব নোৱাৰা হৈছে।

"—এইখিনিতহে বিপদটো হ'ল। বাটটো ঠিকমতে ধৰিব পৰা টান হব।"

"কি কৰিবা ?"

"তুমি এক কাম কৰা। গড়ীৰ পৰা নামি বাটৰ আন্দাজ দি দি পানী ভাঙি গৈ থাকা—মই সেই আন্দাজে আন্দাজে গাড়ী লৈ গৈ থাকোঁ।"

মেমজনীয়ে গাড়ীৰ ভিতৰতে ভৰিৰ চেন্দেলযোৰ খুলি পানী কটটো পিন্ধি ল'লে। মূৰত পিন্ধি ল'লে এটা পানী-টুপী। কলাফুললৈকে মাখন যেন লগা ভৰি দুখন উলিয়াই লাহেকৈ গাড়ীৰ পৰা নামিল। প্ৰথমে লেং মেলি মেলি আৰু পিছত স্বাভাৱিক গতিৰে খোজ কাঢ়ি যোৱাত কোনো অসুবিধা নাপালে। কিবা এক শিশুসুলভ উত্তেজনাত একো বাৰ পানীৰ জিৰজিৰিয়া সোঁতত হঠাৎ লগলগাই পানী খচি গৈ আনন্দত আত্মহাৰা হ'ল। মাজে মাজে একোবাৰ বৈ দুহাতত আঁজলি পতাৰ নিচিনাকৈ পানী তুলি লয় আৰু পাছে পাছে তেওঁক চাই চাই গাড়ী চলাই অহা গিৰিয়েকৰ গালৈ যোৱাকৈ ছটিয়াই দি আনন্দতে খিলখিলকৈ হাঁহি হাঁহি অধীৰ হৈ পৰে। গাড়ীৰ ভিতৰত গিৰিয়েকে ঘৈণীয়েকৰ

সেই আনন্দ-উল্লাস উপভোগ কৰি আৰু এনেদৰে ষ্টেয়াৰিং ধৰি আনখন হাত জোকাৰি জোকাৰি সেই তৃপ্তিত অবিহণা যোগায়।

পানীয়ে ঢকা সেই অংশটি পাৰ কৰি দি পানী-কোট আৰু টুপিটো খুলিলে আৰু গাড়ীৰ পাছৰ চীটলৈ দলিয়াই দি মেমজনী আকৌ গাড়ীত বহিল। পানীত আধা তিতা ক্রুৰ নিচিনা আঠুলৈকে যোৱা চোলাটো গাত প্ৰায় লিপিট খাই পৰিছিল। এনেদৰে আধা তিতা গালৈ চাই গিৰিয়েকে তেওঁক ওচৰলৈ আনিলে আৰু চোলাৰ ওপৰৰে হাত বুলাই বুলাই সুধিলে "তিতিলা নেকি?"

"নাই - বৰ ভাল লাগিছে। তুমিও যদি নামি গৈ মোৰ লগত পানী খেলিলা হেঁতেন!"

বানপানীত জুৰুলা হোৱা বহু লোকে আহি আলিৰ মূৰৰ ঠাইত আশ্ৰয় লৈছিল। বহু লোকে আকৌ ৰাজ-আলিৰ দলংখন যাতে ভাঙি নাযায় তাৰ কাৰণে পানীৰ সোঁতত উঠি অহা দলঙত ঠেকা খোৱা ডাঙৰ ডাঙৰ মেটে-কাৰ ছাববোৰ দীঘল দীঘল বাঁহ লৈ লৈ দলঙৰ তলেদি পাৰ কৰি প্ৰবল সোঁতত উটুৱাই দিয়া কামত ব্যস্ত হৈ আছিল।

এই বিৰাট বানপানীৰ মাজে মাজে আলিয়েদি কোনো-বাই এইদৰে মটৰ চলাই অহা দেখি মানুহবোৰ আচৰিত হৈছিল। দুই-চাৰিয়ে কোৱাকুইও কৰিছিল—

: ক'ৰবাত বাগৰি নপৰিলেহে ৰক্ষা.........

মেম-চাহাবহালে যেনেভাৱে আহি আছে তালৈ চাই

মানুহবোৰৰ চোৱাৰ আগ্ৰহ আৰু বাঢ়িল। তেওঁলোকৰ কাৰণে মেম-চাহাবহালৰ গতিবিধি হৈ পৰিছিল আচহুৱা।

মেটেকাত ব্যস্ত হৈ থকাসকলকো উপেক্ষা কৰাৰ নিচিনাকৈ দলংখনৰ ওপৰেদি গাড়ীখন লাহে লাহে পাৰ হৈ গ'ল। অৱশ্যে ভিতৰত থকা তিৰোতাজনীয়ে তেওঁলোকলৈ চাই হাত দাঙি দাঙি ওলগ-জনোৱাৰ নিচিনাকৈ হাঁহি হাঁহি গৈছিল।

এইবাৰ এডোখৰ পিছল আৰু বোকাময় ঠাইত সোমোৱাৰ লগে লগে গাড়ীৰ চকাকেইটাই ঠাইতে ঘূৰিবলৈ আৰম্ভ কৰি দিলে। কেতিয়াবা আকৌ অলপমান আগুৱাই ঠাইতে পিছল খাই গাড়ীখনে নিৰ্দিষ্ট গতিবোধ কৰি তেৰা-বেঁকাকৈ ঘূৰিবলৈ ধৰে। চাহাবে কোনোপধ্যে ষ্টেয়াৰিং আৰু ব্ৰেকৰ মাজত সমন্বয় ৰক্ষা কৰি গাড়ীখনক চম্ভালিব পৰা নাই। গাড়ীখনে এবাৰ এনেভাবে ঘূৰিবলৈ ধৰিলে যেন আৰু অলপমান গলেই বাট এৰি দ পানীত পৰিবগৈ।

এবাৰ গাড়ীখনে এনেকুৱা এটা পাক মাৰিলে যে গোটেই গাড়ীখনে এটা প্ৰকাণ্ড জোকাৰণি মাৰি বাজআলিৰ সোমাজত্তে পথালিকৈ থিয় হোৱাৰ লগে লগে গাড়ীৰ ষ্টাৰ্ট বন্ধ হৈ গ'ল। গাড়ীৰ এনে গোজৰণি আৰু জোকাৰণিত ভয় খাই মেমজনীয়ে গিৰিয়েকক সাৱত মাৰি ধৰি চিঞৰি উঠিল।

গিৰিয়েকে ক'লে, "ৰবা, তুমি কি কৰিছা? মোক তেনেকৈ নধৰিবা। মই ষ্টেয়াৰিং সুকলমে ধৰিব নোৱাৰিম।

ঘৈণীয়েকে খামোচটো এৰি দিলে।

'গিৰিয়েকে ক'লে, "তুমি অলপমান গাড়ীৰ পৰা নামা। গাড়ীখনে যেয়াকৈ থিয় হৈ বৈ গ'ল। মই ষ্টাৰ্ট দিয়াৰ পিছত কোন দুটা চকা মাটিত যেয়াকৈ ঘূৰিছে তুমি চাই মোক কব পাৰিবা।"

"—তেতিয়া তুমি কি কৰিবা?'

"এই মানুহবোৰ যে দেখিছা—তেওঁলোকক মাতি আনি চকাৰ লগত বাঁহ-বন সুমুৱাই গাড়ীখন অতি সাৱধানে ঘূৰাব লাগিব।"

মেমজনী নামিল। নামিয়েই গাড়ীৰ বডীত ধৰি ধৰি গিৰিয়েকক ক'লে যে মাটিখিনি বৰ পিছল। "তুমি চাবা কিন্তু—বৰ সাৱধান।'

তিৰোতাজনীয়ে বৰ সাৱধানে খোজ কাঢ়ি কাঢ়ি গৈ অলপ আঁতৰত কুঁজা হৈ গাড়ীৰ চকা চাৰিটাৰ ফালে চাই চাই ক'লে, "দিয়া ষ্টাৰ্ট।"

গিৰিয়েকে ষ্টাৰ্ট দিলে। ষ্টাৰ্ট দিয়েই বোধকৰো গিয়েৰটো বদলাই লৈছিল·········কিবা এটা কৰোঁতেই গাড়ীখনে ডাঙৰকৈ এটা গোজৰণি মাৰিলে। তাৰ পিছত একৰকম জাপ মৰাৰ নিচিনাকৈ গাড়ীখনে হৰহৰকৈ পানীলৈ নামি গ'ল। এনেদৰে নামি যোৱা গাড়ীখনৰ সন্মুখৰ ফালটো সম্পূৰ্ণকৈ ডুবিল আৰু পানীৰ তলত থকা গছৰ মূঢ়া এটাত বাজি এনেভাৱে বৈ যোৱা দেখা গ'ল—পাছফালৰ বাম্পাৰখালহে পানীৰ ওপৰত যেন ভাহি আছে।

মেমজনীৰ আটাহ আৰু হৃদয় বিদাৰক কান্দোনে গগন ফালিলে। মুহূৰ্ত্ততে তাৰ মানুহ জুৰি গল আৰু এক চিত্ৰৰ

বাধৰ আৰম্ভ হ'ল: বচোৱা বচোৱা—নামি যা —গাড়ীখনত ধৰ ... .......পানীলৈ জাপ দিবলৈ বাবে বাবে আগবাঢ়ি যোৱা মেমজনীক কেইজনমানে ধৰি আ'ছে, কিছুমানে বাম্পাৰদালত ধৰি গাড়ীখন ওপৰলৈ টানি অ নিবৰ চেষ্টা কৰিছে, কিছুমানে গাৱঁৰ পৰা ডাঙৰ ৰচী আনিবলৈ দৌৰি গৈছে।

এনেখন কৰি থকাৰ ভিতৰতে মানুহবোৰে মন কৰিলে যে গাড়ীখনৰ বাওফালেদি মানুহৰ নিচিনা কিবা এটা ওপঙ্গিব লাগিছে। "[illegible]জনীয়ে চিঞৰি দিলে, "সিজনক ধৰক -সি জনক অ[illegible] [illegible]"

[illegible] পিছ[illegible] [illegible]

ভালকৈ চাই [illegible] [illegible] বিপ[illegible] সা [illegible] লৈয়েই পা[illegible] গতি কৰিলে অ[illegible] এটা[illegible] ডো[illegible]ত ভালকৈ থিয় দিব নোৱাৰি বামত থকা সকলক ক'লে 'ধৰ ভন্তালিকে—তোল—ও বলৈ টানি নে।"

অবাক বিস্ময়াভিভূত হৈ মানুহবোৰে একান্ত মনে চাই দেখিলে যে নিজৰ জীৱনক বিপন্ন কৰি পানীৰ তলতে গাড়ীৰ দুৱাৰ খুলি সাংঘাতিক ৰকমে চাহাবজনক উদ্ধাৰ কৰিছে গেবেলাই অকলে।

এবা গেবেলাই কৰিছে—অকলে।

চিন্তে চিন্তে ওপৰলৈ টানি তোলাৰ লগে লগে চিত্ত-বিমূঢ়া মেমজনীয়ে সাউত কৰে গৈ গিৰিয়েকক সাৱতি ধৰিব খুজিছিল; গেবেলাই পানীৰ পৰা চকুৰ পচাৰতে উঠি আহিয়েই মেম-জনীক ঠেলা এটা মাৰি দি চাহাবজন বিভাবে চিত হৈ আছিল তেনেকৈয়ে কান্ধৰ ওপৰত তুলি ঘূৰাবলৈ আৰম্ভ কৰিলে।

মানুহজনৰ মুখেদি হো-হোকৈ পানী ওলাল।

এটা সময়ত ঘূৰোৱা কাম বন্ধ হ'ল আৰু লাহে লাহে কান্ধৰ পৰা নমাই মানুহবোৰক ক'লে, "এতিয়াই জ্ঞান পাব।"

ওচৰতে পানীত বুৰ নোযোৱাকৈ থকা এটা ঘৰ আছিল। তালৈকে নি শুশ্ৰূষা কৰিলত চাহাবে চকু মেলি চাবিওফালে চালে আৰু কাষতে তেওঁক সাৱতি ধৰি থকা ঘৈণীয়েকক সুধিলে

"—কি হৈছিল ?"

গেবেলা কাকতি এনে দুঃসাহসিক আৰু বীৰত্বপূৰ্ণ কাম স্বাভাৱিকতে মেমজনীয়ে সবাতোকৈ কৃতজ্ঞ হৈছিল। এই ধাৰ সুজিব পৰা কোনো শক্তি তেওঁলোকৰ যে নাই এই কথা মনে মনে স্বীকাৰ কৰিও কিবা কৰিব পাৰি নেকি ভাবি একো উৱাদিহ নাপালে। বাগিছাৰ পৰা পিছত এবাৰ ঘৈণীয়েকৰ লগত আহি কৃতজ্ঞতাৰ চিন স্বৰূপে চাহাব-জনে বহুত ধন আৰু সামগ্ৰী আগবঢ়াইছিল। গেবেলাই সেইবোৰ প্ৰত্যাখ্যান কৰি কৈছিল :

"কিনো ডাঙৰ কামটো কৰিলো ? মই সেইবোৰ গ্ৰহণ কৰিব নোৱাৰোঁ।"

এই বীৰত্ব আৰু মহানুভৱতাৰ প্ৰতি সন্মান জনাই সেই সময়ৰ ইংৰাজ গবৰ্ণৰজনাই নিজে আহি গেবেলা কাকতিক হাতত ধৰি ওলগ জনাইছিল আৰু চৰকাৰৰ পক্ষৰ পৰা তেওঁলৈ দিব পৰা সাহায্যৰ কথা কৈছিল। গেবেলাই ধন্যবাদ জনাই সেইবোৰকো প্ৰত্যাখ্যান জনাই কৈছিল, "আপোনালোকে কিবা দিব খোজে যদিহে দিয়ক—মই

সেইবোৰৰ যোগ্য নহয়; ৰাইজৰ সুখ হলে মোৰো সুখ·· ···।"

তাৰ পিছত এইজনা সন্তুৰণবিদক অলিম্পিকত নমাৰৰ কাৰণে আৰু চুৰেজ কেনেলত এবাৰ সাঁতোৰাই পশ্চিমীয়া বঙাল দেশক তবধ মনাবলৈ ইংৰাজৰে কোনোৰাজন 'দিপ্তি কমিচন' চাহাবে হেনো বহুবাৰ যত্ন কৰিও নিব নোৱাৰিলে। সেইজনা ডেপুটি কমিচনাৰেই বোলে কৈছিল - ভাৰত মহাসাগৰ, প্ৰশান্ত মহাসাগৰ আদিত থকা বেগবান শ্বাৰ্কবোৰক চমক লগাই নিৰ্বিঘ্নে সমুদ্ৰ-মন্থন কৰিব পৰা শক্তিও গেবেলা কাকতিৰ আছে। মানুহে কয়— কাৰোবাৰ মুখ লাগি কিবা অঘটন ঘটিবৰ ভয়ত মাকে ল'ৰাটিক সেইবোৰলৈ যাবলৈ সম্মতি নিদিলে। কাণিৰ চেলেউত এহোপা মৰাৰ পিছত ভুলা-কাণিৰ অণ্ঠা হোপা-নলীডালেৰেই ওলোটা ফু-মাৰি ওকোৰাই দি গেবেলাৰ বৰ-মোমায়েকেও হেনো কৈছিল, "আমাৰ ভাগিনক সিবোৰলৈ পঠোৱা নহব; কোন চাহাব ওলাইছে কৈ দিবা—"

মুঠতে পৃথিৱী বিজয় কৰিবলৈ গেবেলাৰ যোৱা নহ'ল।

সেইজন গেবেলাৰ পুত্ৰ জগত পালোৱান আকৌ ৰাপেকতকৈও হেনো আছিল এখোপ চৰা। চক্ৰেশ্বৰহঁতৰ আগৰ পীৰিৰ মানুহে নিজেই দেখিছে কেনেকৈ জগতে পালোৱানে ভলুকা বাঁহৰ আগটো হলাই আনি একে টানে গুৰিয়ে-শিপাই কঠিয়া তোলাদি উভালি আনে। প্ৰথম মহাযুদ্ধৰ সময়ত এদিন হেনো গোহাঁই কমল আলিয়েদি পঞ্চাশজন চাহাব-পল্টন কঢ়িয়াই নিয়া মটৰ-গাড়ীখন কেনেবাকৈ কালদিয়া নৈৰ মাজতে পৰি গ'ল। মনখিৰ গাওঁবুঢ়াৰ বাপেকহঁতে নিজেই বোলে দেখিছে—মটৰখনৰ

ধুৰাত ধৰি জগত পালোৱানে একে টানে গ ড়ীয়ে মানুহে পাৰত তোলা দৃশ্য (গাড়ীখো একো খতিথুন নহল, একো মানুহো প্ৰাণে নমৰিল)। এই চমকপ্ৰদ আৰু দুঃসাহসিক কামৰ কাৰণে হেনো কোনোবাজন ছাইচৰয় চাহাবে জগত পালোৱানক দিল্লীলৈ নিলে আৰু বহুলোকৰ আগত মহা-ৰাণীয়ে পঠোৱা মেডেল পিন্ধাই ক'লে, "চৰকাৰ বাহাদুৰ তোমাৰ কামত সন্তুষ্ট হৈ দহ হাজাৰ টকা পুৰস্কাৰ, দুশপুৰা মাটি, সোণালী ফ্ৰেমত বন্ধা চাৰ্টিফিকেট আৰু ৰায়বাহাদুৰ উপাধি দান কৰিছে।"

ৰায়বাহাদুৰ জগতচন্দ্ৰৰ পুত্ৰ সোমেশ্বৰ আছিল হেনো এজন বিখ্যাত চিকাৰী। সোমেশ্বৰৰ নিচান আছিল অব্যৰ্থ। শব্দলৈ কাণ কৰিয়েই হেনো সোমেশ্বৰে তেওঁৰ বন্দুক টোৱাই গুলী এৰিছিল আৰু সেই গুলীতেই বৈ গৈছিল তেওঁৰ চিকাৰ। মানুহে কয় সোমেশ্বৰ বোলে আগৰ কোনোবা জনমত দশৰথ ৰজা আছিল।

: দশৰথ ৰজাইহে মাৰিছিল শব্দভেদী বাণ। পিছে দশৰথৰ অন্ধমুনি পুত্ৰ বধৰ নিচিনা দশা ইয়াৰো কেতিয়াবা নহলেহে ৰক্ষা—মানুহে মন্তব্য কৰিছিল।

মন্তব্য কৰিবৰ কাৰণটো আছিল এনে :

সেই সময়ত জিলাৰ ডিপুটি কমিচনাৰজন 'মেলো' চাহাব। আচলতে চাহাবজনৰ নাম মেলো নাছিল আছিল মেলবোৰ্ণ। মানুহৰ মুখ বাগৰি বাগৰি মেলবোৰ্ণ চাহাব 'মেলো চাহাব'ত পৰিণত হৈছিল। চাহাব নিজেও আছিল ভাল চিকাৰী আৰু একমাত্ৰ সাত বছৰীয়া পুতেকো চিকাৰী কৰি তুলিবৰ কাৰণে সদায় যত্ন কৰি আহিছিল। য'লৈ যায় তাকো লগতে লৈ যায়।

পুষ্তকৰ সক বন্দুকটোৰে কেনেকৈ নিচান কৰি ক'ত গুলী কৰিব সেইবোৰ কথা অতি সাৱধানে আৰু সন্তৰ্পণে দেখুৱাই দিয়ে। পুষ্তকেও অলপ দিনৰ ভিতৰতে কায়দাবোৰ প্ৰায় আয়ত্ব কৰি পেলালে।

হাবি বননিৰে ভৰা তেতিয়াৰ কালত জীৱ-জন্তু—বিশেষকৈ বাঘৰ কাৰণে মানুহ গৰুৰ জীৱনৰ নিৰাপত্তা নাছিল। একো একোটা অঞ্চলত বাঘে বহু দিনলৈ এনেভাবে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল যে অকলশৰে মানুহে ঘৰৰ পৰা বাহিৰলৈ নোলোৱা হৈছিল।

এবাৰ ৰায়পুৰ অঞ্চলত বাঘৰ উৎপাত অতি বেছি হ'ল; এজনী বাঘিণীয়ে গোটেই অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰিলে। আগতে গৰু-মহ মাৰি পিছত এবাৰ মানুহৰ তেজৰ সোৱাদ পোৱা বাঘজনীয়ে ঘৰৰ ভিতৰৰ পৰা মানুহ টানি আনিও খোৱা আৰম্ভ কৰি দিলে।

ডেপুটি কমিচনাৰ মেলো চাহাবে সাজি-কাচি ৰায়পুৰলৈ আহিল; লগত শিশুপুত্ৰ। আচলতে মেলো চাহাবে নিজে চিকাৰ কৰাৰ মানসেৰে এইবাৰ অহা নাই—আহিছে শব্দক আন্দাজ কৰি সোমেশ্বৰ কাকতিয়ে কিদৰে চিকাৰ কৰিব পাৰে তাকে চাই পাৰিলে নিজে আয়ত্ব কৰিবলৈ।

যথাযথভাবে টঙি সজা হ'ল, যথাস্থানত এটা ছাগলী বান্ধি থোৱা হ'ল আৰু কাষতে গজগজীয়াকৈ এটা সৰু পঁজা ঘৰ সজা হ'ল। পঁজাৰ ভিতৰত তিনিজন সাহসী ধৰণৰ মানুহক শুৱাই থলে। বাঘে হয় ছাগলীটো খাবলৈ আহিব আৰু নহলে পঁজাৰ ভিতৰত সোমাই থকা মানুহৰ

গোন্ধ পাই খাবৰ চেষ্টাৰে আক্ৰমণ কৰিব। বাঘজনীয়ে এইবোৰ কৰোঁতে যাতে কিবাকিবি শব্দ হব পাৰে তাৰো ব্যৱস্থা চাহাবে কৰিলে।

নিৰ্দিষ্ট স্থানত সজা টঙিত উঠি চাহাব, চাহাবৰ পুত্ৰ আৰু সোমেশ্বৰ কাকতিয়ে বাঘৰ আগমনলৈ অপেক্ষা কৰি আছে।

সিদিনা বাঘিনীজনী নাহিল। পিছদিনা আকৌ তেনে কৰিলে। সিদিনাও নাহিল। তৃতীয় দিনা বাঘিনীজনী আহি-য়েই ছাগলীক নোচোৱাকৈয়ে পোনচাটেই গৈ ঘৰটোত আক্ৰমণ চলালে। মজবুত ঘৰ কোনোপধ্যে ভাঙিব নোৱাৰি এইবাৰ বাঘিনীজনীয়ে ঘৰৰ পিচা এৰি টঙি সজা গছৰ গুৰিলৈ আহি প্ৰথমতে মাটিত খামুচি খামুচি গুজৰিবলৈ ধৰিলে। কাণ-মূৰ থিয় কৰি সোমেশ্বৰে হাতত বন্দুক লৈ সাজু হৈ আছিল। চুৰ্যোৰ আন্ধাৰৰ মাজেদি হঠাত এটা সময়ত সোমেশ্বৰে গুলী এৰিলে আৰু গুলীৰ আঘাতত ঠাইৰ বাঘ ঠাইতে ৰৈ গ'ল।

মনৰ আনন্দত চাহাবে মৰা বাঘ পুত্ৰেকক দেখুৱাই কেনেদৰে সোমেশ্বৰ কাকতিয়ে গুলী কৰিছিল এই কথা নিজেও শুনিব পুত্ৰেককো শুনাব বুলি টঙিৰ কাষতে বহুবাই ৰখা পুত্ৰেকলৈ খেপিয়াই খেপিয়াই চাই দেখে যে পুত্ৰেক টঙিত নাই। আচৰিত হৈ চাহাব চিঞৰি উঠিল। বাপেকৰ চিঞৰৰ প্ৰত্যুত্তৰ আহিল গছৰ তলফালে থকা এটি ডালৰ পৰা—"মই ইয়াতে আছোঁ।"

সোমেশ্বৰে কিন্তু গম পাইছিল যে বাঘ আহি পোৱাৰ সময়তে ল'ৰা নামি গৈ তলৰ ডাল এটাত বহিছেগৈ।

মাটিৰ পৰা কিমান ওপৰত সি কোনটো ডালত আছে সেই কথাও সোমেশ্বৰে আন্দাজ কৰি পেলাইছিল। বাপেকেও গম নোপোৱাকৈ ল'বা নামি গৈছে বুলি জানিও সি চাহাবক নক'লে; কাৰণ বাপেক উত্তাবল হৈ পৰিব—পুতেকক খৰ-খৰকৈ ওপৰলৈ আনিবৰ যত্ন কৰিব—খৰখৰতে কেনেবাকৈ পিছলি পৰিলে আৰু ল'ৰা নাপায়—বাঘৰ আহাৰ হবগৈ।

সোমেশ্বৰৰ উপস্থিত বুদ্ধি আৰু শব্দানুসৰণ কৰি গুলী কৰিবৰ ক্ষমতা দেখি চাহাব অবাক হ'ল। মেলো চাহাবে স্বীকাৰ কৰিলে যে এইজনেই এজন চিকাৰী যাৰ সমান গুণ পৃথিৱীত কমেই ওলাব।

এই ঘটনাৰ পিছত সোমেশ্বৰ কাকতিৰ নাম পৃথিৱীৰ চাৰিওফালে ছাটিফুটি গ'ল। মেলো চাহাবে বীৰত্ব আৰু বুদ্ধিমত্তাৰ কথা চৰকাৰক জনালে আৰু এনে মানুহক উপযুক্ত ভাবে স্থান দিবৰ কাৰণে চৰকাৰক খাটিলে।

সোমেশ্বৰৰ ভাগ্য উদয় হ'ল। ভাৰত চৰকাৰে তাক আফ্ৰিকালৈ নি চিকাৰৰ এক অপূৰ্ব সুযোগ দিলে। পৃথি-ৱীৰ আন এজন শ্ৰেষ্ঠ চিকাৰী বুলি সোমেশ্বৰৰ নাম দেশে-বিদেশে ছাটিফুটি গ'ল।

স্বদেশলৈ উভতি অহাৰ লগে লগে ভাৰত চৰকাৰে সোমেশ্বৰক যথাযোগ্য পুৰস্কাৰ স্বৰূপে দিল্লীৰ ভাইচৰয় চাহাবৰ হতুৱাই সন্মানৰ মেডেল, শকত ধনৰ টোপোলা আৰু মান-পত্ৰ আগচালে। এইজন সোমেশ্বৰ কাকতিয়েই হেনো এই বংশলতাত বিদেশলৈ যোৱা লোক আৰু আজি

আমি যাব কথা কৰলৈ ওলাইছোঁ সেইজন দৌৰবীৰ যোগানন্দ কাকতিও হৈছে সোমেশ্বৰ কাকতিৰে পৰিনাতি।

পাঠকসকল, দৌৰবীৰ যোগানন্দ কাকতিৰ বংশ পৰাম্পৰাত যে শাৰীৰিক শক্তিয়ে বহু যুগ ধৰি মানুহে বিশ্বাস কৰিব নোৱাৰা বিধৰ ক্ষেত্ৰবোৰ ক্ষমতাই বিশিষ্ট স্থান লাভ কৰি আহিছে আৰু এই পৰিয়ালটো যে অঞ্চলটোৰ এক প্ৰাচীন আৰু নাম জ্বলা পৰিয়াল—এই কথা জনাবৰ কাৰণেহে আপোনালোকৰ আগত এক দীঘলীয়া ইতিহাস দাঙি ধৰিছোঁ। এই শতিকাত যিকেইজন প্ৰসিদ্ধ দৌৰবীৰ আছে সেইসকলৰ ভিতৰৰে যোগানন্দই তাৰ নিপুণ পদসঞ্চালনাৰে মানুহক তবধ লগাই আহিছে। আজি কিছুকাল আগতে যি সময়ত মিলখা সিঙে পৃথিৱীত বেগী দৌৰবীৰ বুলি খ্যাতি লাভ কৰিছিল সেই সময়তে মানুহে হেনো কোৱাকুই কৰিছিল—"যোগানন্দৰ আগত দৌৰকচোন, চাওঁ কোনজন তেওঁ মিলখা সিং ওলাইছে। অসম কাৰণেহে পচি আছে—নহলে যোগানন্দ কাকতিৰ দৰে প্ৰৱল বতাহৰ আগত দৌৰা মানুহজনক ৰাখি থব পৰা যোগ্যতা ভাৰতবৰ্ষৰ কথাকে নকওঁ—পৃথিৱীতে নোলাব..............."ইত্যাদি ইত্যাদি।

যোগানন্দ নামটো হৈ পৰিছিল এক বেগবান শক্তিৰ প্ৰতীক। প্ৰবল ধুমুহাৰ গোঁ গোঁ শব্দ কাণত লৈ ঘৰৰ ভিতৰত জুপুকা মাৰি বহি থকা মানুহে কোৱাকুই কৰে "যোগানন্দ ধুমুহা আহিল", স্কুললৈ পলম হোৱাৰ ভয়ত লৰালৰিকৈ নাকে-মুখে ভাত গুজিবলৈ ধৰা পুতেকলৈ চাই মাকে কয়, "কিহৰ লৰালৰিখন লগাইছ, তোৰ যিহে

যোগানন্দ খোজ-নিমিষতে পাবিগৈ", গিৰিয়েকৰ লগত সমানে খোজ কাঢ়িব নোৱাৰা বৈষ্ণীয়েকে ঘৰত আহি কয়, "এই যোগানন্দজনৰ লগত কেনেকৈ যাবা—বুজি পালেহে!

নিজেই যেতিয়া অপ্ৰতিদ্বন্দ্বী, যোগানন্দৰ মতে প্ৰতিযোগিতাই মানুহক লক্ষ্যভ্ৰষ্টহে কৰে। এই বিষয়ে কব লগা হ'লে খুহুটীয়া সাধু এটা সাজি যোগানন্দই কয়—"কিনো কোৱাহে, নকবা নকবা মিল্‌খা সিঙৰ কথা। প্ৰতিযোগিতা কেনে ধৰণৰ বস্তু জানা? ধৰিলোৱা তোমাৰ ঘৰত চোৰ সোমাল, গৃহস্থই সাৰ পোৱা জানি চোৰে পলাই আগে আগে দৌৰি আছে—পাছে পাছে দৌৰি আছা তুমি। চোৰতকৈ আগবাঢ়ি গৈ তুমি ক'লা, 'কিমান দৌৰিবি অই—চা মই আগ হলোঁ' চোৰেও তোমাক ধন্যবাদ এটা দি ক'লে—'তুমি কিমান দৌৰবীৰ তাকে চাবলৈহে সোমাই-ছিলোঁগৈ।' চোৰো গুছি গ'ল আৰু তুমিও চোৰৰ মুখত প্ৰশংসা শুনি এহাত বুকু ফুলাই আনন্দত দুটা জাপ মাৰি ঘৰৰ ল'ৰা ঘৰলৈ আহিলা—বচ্‌।"

এবাৰ যোগানন্দই লক্ষিকক সুধিছিল, "দুখন পাখী হাতত পিন্ধি লব পৰা ব্যৱস্থা ওলোৱা নাইনে? মোৰ উৰিবলৈ বৰ মন যায় অ'! পাখী দুখন লগাই লব পৰা হলে লাগ বুলিলেই উৰিলোঁহেতেন, লাগ বুলিলেই জপাই লৈ দৌৰ দিলোঁহেঁতেন। এতিয়া কামবোৰ পলম পলমকৈ হোৱা যেন লাগে।" কিন্তু আচলতে কামবোৰ কৰোঁতে যোগানন্দক সময় নালাগিছিল; সমাজৰ কাৰণে তেওঁ যিবোৰ কাম কৰিছিল সেইবোৰো আছিল বিশিষ্ট আৰু অনন্য। যেনে ধৰক: চল্লিশ-পঞ্চাশখন গাওঁৰ ৰাইজ মিলি এটা

নির্দিষ্ট দিনত এটা আলি বান্ধিব, তাৰিখটো জনাই একে দিনতে সমূহ গাওঁত খবৰ দিব লাগে- গ'ল যোগানন্দ, আৰু দুদিনৰ কাম পাঁচ ঘণ্টাতে সাং কৰি থৈ আহিল; অমুকৰ পুতেক অমুকে কুৰি মাইল নিলগলৈ দুৰ্গা পূজা চাবলৈ গৈ মটৰ দুৰ্ঘটনাত পৰিল—বিজুলী সঞ্চাৰে বাপেকক খবৰ দি যোগানন্দ উভতি আহিল। এবাৰ নিত্যানন্দ গাৰঁৰ গোসাই ঘৰৰ লাৰু-গোপালৰ সোণৰ মূৰ্তিটো চোৰে নি পাঁচ মাইল দূৰত থকা মদনমোহন কৰ্মকাৰৰ দোকানত দৰ-ভাও কৰি থকা গম পাই একে দৌৰে নিত্যানন্দত খবৰটো দিলে আৰু বাইজে পুলিচৰ সহযোগত চোৰো ধৰিলে, মূৰ্তিও উদ্ধাৰ কৰিলে। মাকে কয়, "মোৰ আত্রা ল'ৰাটোক তইঁতে টেলিগ্রাফ' নকৰিবি ঐ বোপাইহঁত—সি মৰিব।"

যোগানন্দৰ ঘৰুৱা অৱস্থা আৰু আগৰ অৱস্থা হৈ থকা নাই। প্ৰকৃতপক্ষে ককাদেউতাক মৰিবৰ দিনৰে পৰাই সিহঁতৰ দিনো বেয়া হৈ আহিবলৈ ধৰিলে। বুঢ়া গিৰিয়েকক এৰি আবুৱেক হঠাতে হাইজাত পৰি মৃত্যু বৰণ কৰিলে। তাৰে দুদিন পিছতে যোগানন্দৰ পিতাকো হাইজা ৰোগত আক্রান্ত হ'ল আৰু ঘৰখনক নিৰাশ্ৰয় কৰাৰ নিচিনা কৰি থৈ মৰণক আকোৱালি ল'লে।

তেতিয়া যোগানন্দৰ বয়স সাত নে আঠ বছৰ। বৃদ্ধ বয়সত স্ত্ৰীয়ে এৰি থৈ যোৱা আৰু তাৰ দুদিন পিছতে পুনৰ পুত্ৰৰ মৃত্যুত শোকাচ্ছন্ন হৈয়ো একমাত্ৰ নাতিয়েকক পাই বুঢ়াই সান্ত্বনা লভিছিল।

ডেকা বয়সতে সোমেশ্বৰ কাকতিয়ে ৰাইজৰ নামত মাটি-বাৰী, টকা-পইচা দান কৰিছে। তেতিয়া আছিল অৱস্থা

অভিত সুচল, লাগ বুলিলেই হাজাৰ টকা উলিয়াই দিব পৰা মানুহ। জীৱনত দান কৰিছিল প্ৰচুৰ, কৈছিল: "মোৰ ধনে মোকহে খাব, বাইজক দিলে এই ধনে কাকো নাখায় ..... ।"

ঘৰৰ খেতি বাতি, মাটি বাৰী চাওঁতা মানুহ নোহোৱা হ'ল। এটা সময়ত চাকৰ-নাকৰে ভৰি থকা ঘৰখন সুদা সুদা হ'ল। পূৰ্ব-পুৰুষৰ পৰাই ৰজাঘৰীয়া সন্মান পাই অহা পৰিয়ালটো এতিয়া এনে এক অৱস্থাত পৰিল যে আজি অলপ কালি অলপকৈ মাটি বেচি সম্পত্তি বেচি অৱশেষত নাতিয়েক যোগানন্দৰ কাৰণে একমাত্ৰ ভেটিটো আৰু পিতৃপুৰুষৰ কীৰ্ত্তি-চিহ্ন হিচাপে থকা কেইটামান ৰূপৰ মেডেল কেইখনমান ফটো আৰু ভাগি যাব ধৰা পুৰণা ঘৰটো এৰি বুঢ়াইও নশ্বৰ দেহা ত্যাগ কৰিলে।

স্বামীৰ আকস্মিক মৃত্যুত যোগানন্দৰ মাকেও সান্ত্বনা লভিছিল একমাত্ৰ পুত্ৰেৰ মুখলৈ চাই চাই। তেওঁৰ সাহস আছিল যে দেহৰ ছাঁৰ দৰে ধৰি থাকিবলৈ অন্ততঃ বুঢ়াজন আছে। বুঢ়াইও বোৱাৰীয়েকৰ পৰা পোৱা সেৱা-শুশ্ৰূষাত ঘৰত এটা ডাঙৰ অভাৱ হৈছে বুলি ভবা নাছিল;

"বহু মানুহৰ ঘৰতকৈ আমাৰ সুবিধা বেছি আৰু চা যদি আমি সুখীও—কি কয় ?"

বুঢ়াই কথাখিনি কিহৰ কাৰণে কৈছিল বোৱাৰীয়েকে বুজি পায়। কেতিয়াবা শহুৰেকৰ সন্মুখতে চকুপানী ওলাব খোজে, নিজকে সংযত কৰে আৰু পুত্ৰেকৰ কথা উলিয়াই শহুৰেকৰ মনৰ শান্তিৰ কাৰণে কয়,

"দেউতা, সি বৰ দুষ্ট হ'ল। লগিৰাৰ লগত গাঁও

বুঢ়া দেউতাক জোকাই খেমালি কৰা হ'ল।"

গাওঁবুঢ়া মানে মনচুৰ গাওঁবুঢ়া। বোৱাৰীয়েক নৰেশ্বৰীয়ে শহুৰেকৰ সমনীয়া দেখি তেওঁক 'গাওঁবুঢ়া দেউতা' বুলি মাতে।

"সিহঁতে কি বুলি জোকায় তাক?"

নৰেশ্বৰীয়ে মুখৰ ভিতৰতে এটা লাজুকীয়া হাঁহি মাৰি একো নমতাত বুঢ়াই আকৌ সোধে,

"নকৱ বেলেই—কথাবোৰত এঠা বান্ধিলে বেয়া লাগে—জান?'

" সিহঁতে জোকায়: আতা আতা তোমাৰ দাবিত লাগি আছে ''—বাকীখিনি শেষ নকৰাকৈয়ে কিবা যেন ৰাখি থৈ বোৱাৰীয়েক ভিতৰলৈ সোমাই গ'ল।

বুঢ়াই এটা আত্মতৃপ্তিৰ হাঁহি মাৰি দি ক'লে, "সিহঁত দুটা সমনে বাঘৰ তেল খোৱা হ'ল। মোকোতো সিহঁতে কমখন নকৰে!"

জীৱনৰ আৰু এটা আকস্মিক ঘটনাৰ নিচিনাকৈ বুঢ়াৰ একমাত্ৰ নলে-গলে লগা বন্ধু মনচুৰ আলিয়েও বুঢ়াৰ পৰা মেলানি মাগিলে। ঢকাৰৰ দিনা এটা সৰু ল'ৰাৰ নিচিনাকৈ মনচুৰ আলিৰ শৱদেহৰ কাষত বহি বুঢ়াই উচুপি উচুপি কান্দিছিল। তাৰ পিছত কবৰ দিবৰ পৰতো গাতৰ কাষত থিয় হৈ বুঢ়াই কৈছিল, "মনচুৰৰ কাষতে মোকো থবি দেই বোপাইহঁত—সি মোৰ প্ৰাণ আছিল ··· ··· ···।" তাৰ পিছত লৰচৰ কৰি চলিব পৰা দিনলৈকে বুঢ়াই মনচুৰৰ কবৰত সময়ে সময়ে একোডাল মমবাতি জ্বলাই দিছিলগৈ।

তাৰে এটা বছৰৰ পিছত এসময়ৰ দানবীৰ সোমেশ্বৰ কাকতিও বিদেহ হ'ল।

যোগানন্দৰ মাক নৰেশ্বৰী সকলোৰে 'আইতা'। মানুহবোৰৰ কথাত আইতা একোবাৰ বিৰক্ত হয়ঃ এই মানুহবোৰে ল'ৰা'টো'ক বেয়া কৰিলে, তাৰ কিবা এটা অঘটন নঘটিলেই ৰক্ষা। এতিয়া দুবেলা দুমুঠি নিমিলা অৱস্থাতো বিপুল ঐশ্বৰ্য বুলি বুঢ়ীয়ে ধৰি আছে সাৰটি আছে আগৰ পুৰুষসকলে লাভ কৰা সন্মান আৰু কীৰ্তি-চিহ্নবোৰকে। বুঢ়ীয়ে কয়ঃ কাকতি বংশ এলাপেচা নাছিল, পুতেককো হেনো কয়, "বোপাই ঐ, কাকতি বংশৰ নাম ৰাখিবি; মনত ৰাখিবি—একো নাথাকিলেও তোৰ বংশৰ নামটো থাকিব।" এই পুৰুষৰ আগৰ পুৰুষৰ পৰাই তেওঁলোকৰ ধন সম্পত্তিৰ ক্ষেত্ৰত প্ৰকৃততে খহনীয়া আৰম্ভ হৈছিল আৰু যি এবাৰ আৰম্ভ হ'ল সি আৰু বন্ধ নহ'ল; আৰু অৱশেষত মাহে মাহে ফালি যোৱা এখন কেলেণ্ডাৰৰ শেষৰ পৃষ্ঠাটোৰ ডিচেম্বৰ মাহৰ দৰে ৰৈ আছে যোগানন্দ। দুই মাক-পুতেকৰ চকুৰ আগত ওলমি আছে কিবা এটা আশা—সমগ্ৰ বংশ-লতিকাত যিটো কথা সম্ভৱ নহ'ল সেই মানস-অট্টালিকা সম্ভৱ কৰিবই যোগানন্দই ইছটা ইটাৰ পাছত সিছটা ইটা গাঠি গাঠি।

যোগানন্দইও ভাবে—সি পৃথিৱী বিজয় কৰিব পাৰিব ...... । সেই কাৰণেই বুঢ়ীয়েও মাজে মাজে মানুহবোৰক কয়, "তইঁতে তাক সৰুসুৰা কথাবোৰত খুন্দুমুৰাদি বোপাইহঁত, তাৰ খোৱামুঠিৰ কিবা এটা দিহা লগাই দে—সিতো চিৰদিন তইঁতৰেই হৈ থাকিব।"

ৰাইজৰ দুই-চাৰিয়েও কথাটো নভবা নহয়। কৰবাৰ কিবা এটাত গোজা মাৰি থৰ পৰা হলেও অন্ততঃ মাক-

পুত্ৰকৰ এটা দিশা লাগে। সেই কাৰণেই এবাৰ গাওঁবুঢ়াই মহেশ্বৰ 'এমেলে'ক কৈছিল, "পাৰে যদি ইয়াকো কৰবাত লগাই দিয়ক, আপোনালোকৰেই কামত লগা ল'ৰা; ভৱিষ্যতেও কামত আহিব।"

বিধায়ক মহেশ্বৰেও যেন যোগানন্দৰ ভৱিষ্যতৰ কাৰণে চিন্তান্বিত হৈ পৰিছে তেনেকুৱা ভাৱ প্ৰকাশ কৰি ক'লে, "কি কৰিবাহে গাওঁবুঢ়া, তাৰ কাৰণে মই চেষ্টা নকৰা নহয়। ক'ৰ মানুহবোৰ আহি ক'ত চাকৰিত সোমায়হি—অথচ আমাৰ ল'ৰাক মই সুবিধা এটা কৰি দিব পৰা নাই—এই কথাটো মই ওপৰতো কৈছোঁ।" তাৰ পিছত এবাৰ যোগানন্দৰ ফালে চাই সুধিলে, "পিয়নৰ কাম কৰিবি ?"

"—ওঁহো"

মহেশ্বৰে ক'লে, "চোৱা গাওঁবুঢ়া, আমাৰ ল'ৰাই সেইবোৰ নকৰে।" তাৰ পিছত নিজকে কোৱা দি ক'লে, "কৰিব কিয়—ডাঙৰ মানুহৰ বংশ, মান যাব। আমি ডাঙৰ মানুহৰ জাত বুলি ভাবোঁতেই গৈছে আৰু পাছৰ ভাত আহি লোকে কাঢ়ি খাইছে ........।"

"নহয়—মানে বহি থকা চাকৰি মোক নালাগে" যোগানন্দই ক'লে।

"আগৰ অৱস্থা থকা হ'লে সি চাকৰি এটাৰ কাৰণে খাটেনে ? সি যেনে তাৰ তেনে চাকৰি হ'লে ভাল হয়" —লতিকে বিধায়কজনক উদ্দেশ্য কৰি ক'লে।

কথাখিনি ভালকৈ বুজাই কৰৰ সাহস এটা পাই যোগানন্দই ক'লে, "মোক দৌৰি ফুৰা ধৰণৰ চাকৰি এটা দিব। লাগিলে পোষ্টাফিচৰ ডাকোৱালৰ নিচিনা হলেও

কৰিব পাৰোঁ—দৌৰি দৌৰি ডাক অনা-নিয়া কৰিম—ভাল লাগি থাকিব।"

গাঁৱৰ স্কুলৰ শিক্ষক এজনে কথাখিনি একৰকম বেলেগ ধৰণে চিন্তা কৰি ক'লে যে ভাল ল'ৰা এটা এইবোৰ চাকৰিত সোমালে বেয়া হৈ যাব—গ্ৰাম্যক্ৰীড়াৰ কাৰণে যে চৰকাৰে কিবাকিবি কৰিছে বুলি ওলাইছে, যোগানন্দক ভাৰতত কৰবাত দৌৰ-শিক্ষকৰ কামত দিব নোৱাৰি জানো? ক্ৰীড়াবিদৰ উচিত ব্যৱস্থা কৰিব লাগিছে বুলি যে কথাবোৰ ওলাই আছে—বিশিষ্ট দৌৰবীৰ হিচাপে চৰকাৰে যোগানন্দক নিয়ামীয়া এটা বানচৰ ব্যৱস্থা কৰি দিব নোৱাৰে জানো?

ল'ৰাবোৰৰ কথা শুনি যোগানন্দই সন্মুখত যেন এটা বাভিপুৱাৰ সুৰুষ দেখা যেন পাইছিল। সুৰুষটো যেন সিং কান্ধত লৈ কৰবালৈ দৌৰিব খুজিছিল, সুৰুষটো যেন এটি চোকোৰাৰ মাজত সোমাই গৈছিল আৰু অৱশেষত সুৰুষটোৰ পেটতে সোমাই পৰা যোগানন্দই যেন জেঠী পোৱালী এটাৰ নিচিনাকৈ চোকোৰাটো ভাঙি ওলাই সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডখনত গতি কৰিছিল.........। মহেশ্বৰ এমেলেয়ো কৈছিল—ক্ৰীড়া বিভাগৰ মন্ত্ৰী আৰু উচ্চ-পদস্থ বিষয়াৰ লগত আলোচনা কৰি কি কৰিব পাৰি তেখেতে চাব। আনন্দত অধীৰ হৈ পৰা যোগানন্দৰ হাত দুখনে আপোনা-আপুনি 'এমেলে'ৰ সন্মুখত যোৰ খাইছিল। ইয়াৰ পিছতে গাঁৱৰে হেডমাষ্টৰে লিখি দিয়া কেবাখনো দৰখাস্তত বৰ যত্ন সহকাৰে চহী মাৰি মাৰি সেইবোৰ মহেশ্বৰৰ হাতত দিছিল। এবাৰ নে দুবাৰ গাঁৱৰ মানুহে এনেকৈয়ো শুনি-

ছিল যে যোগানন্দৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগিছে—তাৰ দৰখাস্তৰ ফাইলটো ওপৰৰ পৰা ঘূৰি আহিলেই যোগানন্দই গাওঁ এৰি নগৰলৈ গৈ বিশিষ্ট ক্ৰীড়াবিদ হিচাপে প্ৰশিক্ষকৰ চাকৰি পাব, মাজে সময়ে ভাৰততেই কেৱল নহয়—বিশ্ব-প্ৰতিযোগিতাতো বিদেশৰ দৌৰবীৰসকলৰ লগত ফেৰ মাৰিব পাৰিব।

এটা বন্ধ কোঠালীৰ অন্ধকাৰৰ মাজৰ পৰা ওলাই যোগানন্দৰ মনটোৱে মুক্ত বায়ুমণ্ডলত বিচৰণ কৰিবলৈ ধৰিলে, তাৰ হুবাহুত যেন দুখন পাখী গজিছে আৰু একেজাপে শূন্যত উঠি নিৰ্দ্ধাৰিত কক্ষপথটো ভাঙি টুকুৰা-টুকুৰ কৰিলে, যোগানন্দৰ ভৰিৰ গতিয়ে যেন বিশ্ব-ব্ৰহ্মাণ্ডৰ গতিবেগক কৰবাত পিছ পেলাই থৈ গ'ল—দৌৰবীৰৰ ভৰিৰ জোতা ফাটি কৰবাতে পৰি ৰ'ল—কঁপালৰ আগেদি বৈ পৰা দীঘল চুলি কেইডালে যেন আগলৈ গতি কৰি থকা মূৰৰ বিপৰীত ফালে কাণৰ ওপৰেদি বৈ গৈ প্ৰথমতে বতাহতে সমান্তৰাল সৰলৰেখাৰ দৰে গৈ পিছত ঢৌ খেলি খেলি কম্পনেৰে বায়ুমণ্ডলত এক ছিঁ ছিঁএনি শব্দ তুলিছে ......। সেবেলা কাকতিৰ পুত্ৰ জগত কাকতিৰ দিনৰ পৰা বংশ-লতাত সোমোৱা অজস্ৰ পদকবোৰে যোগানন্দৰ চকুৰ আগত জুলমলাবলৈ ধৰিলে; মান-পত্ৰবোৰে যেন পুৰণি পেৰাৰ মাজৰ পৰা ওলাই তিৰবিৰ কৰি থকা নতুন নতুন সোণালী ফ্ৰেমবোৰৰ মাজত সোমাই তাৰ চাৰিওফালে ওলমি আছে; বায়চাহেব, ৰায়বাহাদুৰসকলে যেন মলিন পৰা ধুতিৰ ওপৰত ডিডিলৈকে বোটাম মৰা দীঘল দীঘল কোট-চোলা ধুই-পখালি নতুনকৈ পিন্ধি মূৰত মুগাৰ পাগুৰি, হাতত হাতীদাঁতৰ

নাল লগোৱা লাখুটি লৈ কেমেৰাৰে মুখ কৰি চকীত বহি আছে ...... সিহঁতৰ পথাৰত বহুত বন কৰা মানুহ, বহুত হাল-গৰু—বহুত ধান ...... আৰু তাৰ মুৰত যেন এটা এটাকৈ সোমাই আছে দেশ-বিদেশৰ বহুত বিজয়ৰ মুকুট............ বিপুল হৰ্ষধ্বনি ..........

আৰু নবেশ্বৰী আইতা! আইতাই বিশ্ববিজয়ী পুত্ৰক যেন আজিহে চিনি পাইছে—আজি যেন গৰ্বত আইতাৰ বুকুখন এহাত ফুলি উঠিছে—চা মোৰ ল'ৰাক। আইতাই সম্মুখত দেখি আছে: বিশ্বৰ বহুজনী স্বৰূপা, সুলক্ষী গাভৰুৱে হাতত মালা লৈ পুত্ৰেকৰ ডিঙিত পিন্ধাবলৈ বৈ আছে—এটা যেন গাভৰু ছোৱালীৰ শোভাযাত্ৰা আৰম্ভ হৈছে—সকলোৰে হাত-তালিৰ পিছত ওখকৈ চকীখনত বহি থকা যোগানন্দক এজনী এজনীকৈ আহি মালা পিন্ধাই নমস্কাৰ কৰিছে—যোগানন্দই যেন তাৰে কোনোবাজনীৰ লগত চকুৰে চকুৰে ভাৱ-বিনিময় কৰিছে; ইস্—যোগানন্দৰ হাতত এটা নতুন চিকমিকিয়া হীৰাৰ আঙুঠি...... মুৰত কামাখ্যাৰ পৰা কৰমাচ দি অনা এটা ৰংচঙীয়া ফুলৰ মুকুট.............এইমাত্ৰ পুৰোহিতে যেন সেঁতাহাতত দি গ'ল এখন ৰূপৰ দাপোন—শোৱালকুছীয়া খাটি পাটৰ ধুতি-চোলা চাদৰ, ভৰিত দোৰবীৰে পিন্ধাৰ নিচিনা অথচ কোমল কোমল শুধ বগা জোতা..........দোৰবীৰৰ ক্ষিপ্ৰ পদক্ষেপৰ পৰিৱৰ্তে যোগানন্দৰ ধীৰ লাহি পদক্ষেপ, বাওঁহাতেৰে নাকত ৰুমাল লৈ লাজুক লাজুক লগা..........তাৰ পিছত বহুত দীঘল দীঘল উকলি জোকাৰ ........ তাৰ পিছত যোগানন্দৰ কোঠালীত ফিচিঙা-ফিচিং কথাৰ গুণগুণনি ......... তাৰ পিছত এটা কেঁচুৱাৰ কান্দোন ......... তাৰ পিছত "মা ইয়াক অলপ-

মাৰ ধৰকচোৰ, হাঁপিলে—কাপোৰখন বদলাই দিও...... ......
শিয়ালীএ মাহিৰি বাজি...... ......তাৰ পিছত আচতাকে এটা দুই দ'বাক খেদি খেদি পাছে পাছে—সেয়া 'যোগানন্দ দৌৰ'...... ......তাৰ পিছত যোগানন্দৰ দৰে...... আকৌ যোগানন্দ— ......!

নবেশ্বৰী আইতাই যোগানন্দক আচৰিত কৰি এবাৰ কৰ খুজিছিল—"তই মানুহবোৰক কথাটো কৈছ চন নাই? কৰি, নহলে হঠাতে যাব লগা হলে মানুহবোৰে যেয়া পাব।" কিন্তু তেনেকৈ নকৈ ক'লে, "কথাটোৰ খবৰ কৰি থাকিবি—মহেশ্বৰ এঘেলেক লগ ধৰিলিনে?"

সিদিনা যোগানন্দই একো মামাতিলে। সি কেৱল মাকলৈ চাই থাকিল আৰু এটা তৃপ্তিৰ হাঁহি মাৰিলে। তাৰ পিছত সোঁভৰিখন আগলৈ দলিয়াই দিয়াৰ নিচিনাকৈ মাৰি দিলে আৰু ক'লে, "ভৰিহুখন ক্ষণকৈ টনটনাই আছে অ' মা, অলপ ব্যায়াম লগা হৈছে।"

তাৰে কেদিনমান পিছত নবেশ্বৰী আইতাই আকৌ সুধিলে "খেৰি নহয় যোগো, মানুহজনে কথাটো কাচাজিবাই কৈ গ'ল—তই দেখোন নিজৰ কাম বুলি নাভাবিলি? তোৰ দৰখাস্তৰ ফাইলটো ওপৰৰ পৰা আহিল নে নাই খবৰ লৈ তই এবাৰ গুৱাহাটীৰ পৰা নাহপে কিয়?"

ধোবাৰ খবৰ পৰা জাপি অনা চোলাৰ নতুন ভাঁজ-টোৰ দৰে থিয় হৈ মাকৰ মুখৰ কালে নোচোৰাকৈ যোগা-নন্দই মাকক জনালে, "এতিয়া ইলেক্‌চন আহিছে, গৱৰ্ণমেণ্টে হেনো কামবোৰ পেলাই থৈছে, ব'বে ফাইল হেনো ত'তে পৰি আছে, ইলেকচনৰ পিছতে ফাইল ঘূৰি আহিলেই

কামটো হ'ব বোলে।" যোগানন্দই ইয়াকো জনালে যে ইলেক্‌চনত ভালকৈ ফাইট দিব পাৰিলে এটা নামো হয় আৰু মন্ত্ৰীৰো চকুত পৰিব। "অৱশ্যে মন্ত্ৰীয়েও কেনো কথা দিয়েই থৈছে।" তাৰ পিছত মাকৰ ফালে ঘূৰি ক'লে, 'আৰু এটা কথা অ' মা, মৌজাদাৰে কৈছে এইবাৰো যদি মহেশ্বৰ এমেলেক জিকাব পাৰি তেওঁক কেনো খেল বিভাগৰে মন্ত্ৰী পতাৰ কথা হৈ আছে।"

এদিন গাওঁবুঢ়ায়ো আহি নবেশ্বৰী আইতাক কৈ থৈ গ'ল—মহেশ্বৰক এইবাৰো বাইজে গোটে বান্ধি জিকাব লাগে; এইবাৰ আমি বাইজে আমাৰ অঞ্চলৰ এজন মন্ত্ৰী পোৱাৰ আশা কৰিছোঁ। গাওঁবুঢ়াৰ মিঠা মিঠা কথা-খিনিয়ে কাকুৱাৰ পিচকাৰীৰ মুখেৰে ওলোৱা ৰঙৰ দৰে ওলাই যেন নবেশ্বৰী আইতাৰ গাৰ কাপোৰ-কানি নানা ৰঙেৰে বোলাই পেলালে।

মহেশ্বৰ এমেলেৰ নিৰ্বাচনৰ কাৰণে সমষ্টিটোৰ বিভিন্ন ঠাইত নিৰ্বাচনী কাৰ্য্যালয় পতা হৈছে আৰু যোগানন্দ ব্যস্ত হৈ আছে—আটাইবোৰ কাৰ্যালয়ৰ মাজত সমন্বয় ৰক্ষা-কাৰী হিচাপে : যোগানন্দ, বগৰীবাৰীলৈ পোষ্টাৰখিনি আজিও নগল...... ভোটাৰলৈ দিয়া বহু হাজাৰ চিঠি মান-কটা অফিচলৈ বেছিকৈ পঠোৱা হ'ল, অথচ নাহৰনি আৰু চন্দ্ৰপুৰৰ অফিচ দুটালৈ এখনো চিঠি যোৱা নাই; সেই-খিনি আনি এই দুটাত ভগাই দিব লাগে......শিলসাকো, নাহৰবাৰী আৰু দীঘলবন অফিচৰ অধীনস্থ থকা কৰ্মীসকলে নিৰ্বাচনী বেজ আৰু ভুৱা বেলট-পেপাৰ পোৱা নাই, আজিৰ ভিতৰতে নাপালে হুলস্থূল লাগিব......হেৰা যোগানন্দ! বগাপথাৰ, নলীবন্ধা, ধৰমপুৰ, বনগাওঁ আৰু সীতাপুখুৰী

—এই পাঁচটা অফিচত বোলে ওপৰখি প্ৰোটাৰ সিঁড়ি আছিল পোৱা নাই······ যোগানন্দ, তুমি কিবা খালাসে নাই,.. ইয়াত দেৰী আছে যদি কপীতভাতে যাবাগৈ আৰু যাওঁতে এই পেকেটটো এমেলেনী বাইদেউক হাতে হাতে চমজি দি তুমি চিধাই কপীতভালৈ যাবা ·· · যেবি নহয় যোগানন্দ, তোমাৰ ছাবে কৈছে—তুমি সদায় ঘৰলৈ যাব নালাগে, দুবো হয়—কষ্টও হয় , তাতকৈ তুমি বাহিৰৰ কমত পতা অফিচ-টোতে শুই থাকিবা ; বিচনাৰ কাপোৰখিনি আনিলেই হ'ল । ···· কি ক'লা ? ঘৰত বেলেগে বিচনাৰ কাপোৰৰ অসুবিধা ? একো নহয় দিয়া, এনেয়ে চলি যাব— গৰমৰ দিন ···· ···

এমেলেৰ ঘৰৰ ভিতৰ-বাহিৰ মানুহে ঠাঁহ খাই পৰিছে, এছাম ডেকাই ফটকা ফুটাইছে, বহুজনে কাছাৰী ঘৰৰ পৰা আহিব ধৰা শোভাযাত্ৰাটোলৈ পথ্‌লি মুখতে অপেক্ষা কৰি আছে। এটা সময়ত মহেশ্বৰ এমেলেক ফুলৰ মালা পিন্ধাই আগে-পাছে জয়ধ্বনিৰে আকাশ-পাতাল কঁপাই কিছুমানে আনন্দতে উন্মাউল হৈ আহি থকা দুৰৰ পৰাই দৃষ্টিগত পৰা হ'ল । এইবাবৰ নিৰ্বাচনত দুটা বিশিষ্ট ৰাজনৈতিক দলৰ প্ৰাৰ্থীক বহুসংখ্যক ভোটৰ ব্যৱধানত পৰাজিত কৰি দুই ডিলিজন নিৰ্দলীয় প্ৰাৰ্থীৰ আমানত বাজেয়াপ্ত কৰোৱাই নিৰ্বাচনত তৃতীয়বাৰৰ কাৰণে জয়যুক্ত হোৱা মহেশ্বৰ এমেলেৰ মুখমণ্ডল আৰু খোজত বিজিত বীৰৰ গাম্ভীৰ্য্যতা । কন্যা ঘৰ পাবৰ আগে আগে দৰাৰ লগে লগে বিশিষ্ট

লোক হৈ অহা লৈমলেয়ীয়া সকলৰ নিচিনাকৈ মালাৰে সুসজ্জিত হৈ অহা মহেশ্বৰৰ আগে-পাছে বহুজন ব্যক্তি—তেওঁলোকৰ খোজ-কাটল আৰু আৱভাৱত এনেহে লাগিছে যেন মহেশ্বৰ এমেলেৰ বিজয় মানে সেইসকলৰ বিজয়, মহেশ্বৰ এমেলেৰ বিজয়ৰ একমাত্র কাৰণ যেন এইসকল ব্যক্তিৰ আপ্ৰাণ কষ্টৰ ফল। এই বিশিষ্ট লোকসকলৰ লগত মহেশ্বৰ এমেলেক দৰাৰ নিচিনাকৈ কাষে কাষে পেট্ৰোমাক্স লাইটটো যোগানন্দই এনে ধৰণে দাঙি ধৰি আহিছে যেন বাটৰ কাষত থিয় হৈ অভিবাদন জনাব খোজা মানুহবোৰে বিজয়ী মহেশ্বৰক ভালদৰে দেখা পায় আৰু পদযাত্রীসকলেও যেন বাটটো পৰিস্কাৰকৈ দেখাত কোনো অসুবিধা নাপায়।

তাৰ পিছত এটা সময়ত এমেলেৰ পদূলি মুখ আকাশ বতাহ কঁপাই তোলা জয়ধ্বনিৰে মুখৰিত হ'ল, এমেলেৰ লগত এমেলেনীক থিয় কৰাই মালা পিন্ধাই ফটো তোলা হ'ল……… আৰু ফটকা ফুটিল……… ঘৰৰ ভিতৰ আৰু চোতালত কাপ-প্লেটৰ থন্‌থননি আৰম্ভ হ'ল আৰু তাৰ পিছত খাতি হলত কিছুমান মানুহ গ'ল, কিছুমান ঘৰৰ ভিতৰলৈ সোমাল……… তাৰ পিছত এজনে যোগানন্দক ক'লেহি, "নিৰ্বাচনত বেনিবা মহেশ্বৰ এমেলে জিকা নাই, তইহে জিকিলি। ঐ – মিঠাই-চিঠাই কিবা খালি নে নাই … ?" যোগানন্দই আনন্দত উত্ৰাৱল হৈ কৈছিল, "হয় দিয়া খুড়া, খাইজৰ হ'লেই ল'ল।"

তাৰ পিছত এটা সময়ত পেট্ৰমাক্স লাইটৰ পোহৰ কমি 'মেন্‌থেল'ৰ পৰা বঙা বঙা শিখা ওলাবলৈ ধৰিলে।

যোগানন্দই পাম্প কৰি চালে, পিন খুৰাই চালে—এয়া লাইট নুমাবৰ পূৰ্ব ইঙ্গিত। এজনে ক'লে, "হেৰ, এণ্ডিয়া পাম হেঁচি কি লাভ, তেল পুৰি পুৰি লাইট জ্বলিল, সেই লাইটৰ পোহৰত আন্ধাৰবোৰ দেখা নাছিলি। তোৰ দেহাৰ তেল দি এমেলেৰ লাইট জ্বলালি, সেই তেল শেষ হ'ল, এণ্ডিয়া আন্ধাৰবোৰ তোৰ কাৰণেই। ......... · .....বিদেশী নাগৰিকৰ ভোটত জিকিল—নহলে দেখিলিহেঁতেন খেলা ...... বিদেশী নাগৰিকৰ ভোটেৰে এইলোক ৰজা হৈ আছে—এওঁলোকে ৰাজপাট খাই আছে ........ চৰ ভুয়া—ভাই-মই ভুয়া ......... হেৰ' বুজি লবি।" এই মানুহজনৰ কথাখিনিৰ অৰ্থ যোগানন্দই একো নুবুজিলে। সি ভাবিলে: ইহঁতৰ হিংসা লাগিছে হব পায়। তথাপি সি আৰু এবাৰ ভাবিলে। হঠাতে তাৰ বুকুখন কেনেবা কেনেবা লাগিল, বুকুখনৰ কোনোবাখিনিত বিষোৱা যেন পালে।

মাজৰাতি ঘৰলৈ উভতিলত মাকে কিবা কৰলৈ পোৱাৰ আগতে যোগানন্দই ক'লে, "কেবাদিনো ভাল টোপনি হোৱা নাই; সাৰ পাওঁতে বেলি হ'লে আজি নজগাবি।" মাকে সুধিছিল, "এমেলে কাইলৈয়ে গুৱাহাটীলৈ যাব হব পায়—ফাইলৰ কথাটো মনত পেলাই দিব লাগিছিল। মযেই পুৱা গৈ দেখা কৰি আহিমগৈ বুলি ভাবিছোঁ, নে কেনে দেখ?" উত্তৰত খেঙাতকৈ উঠি যোগানন্দই কৈছিল, "তয়োযে আৰু! ৰচোন, এইবোৰ কথা 'এণ্ডিয়াই কয় নেকি, তেখেতৰ বা কিমান ধান্দা! ওপৰলৈ ফাইল গৈছেই—এণ্ডিয়া নিৰ্বাচন হৈ গ'ল যেতিয়া এনেয়ে হবগৈ লাগে; নহলেতো এমেলে আছেই ..........।"

পিছদিনা ৰাস্তিপুৰা কিন্তু যোগানন্দৰ সাৰ পাওঁতে পলম নহল। দাঁতনডাল মুখত লৈ বাটলৈ ওলাওঁতেই কুঁৱাৰে পানী নিবলৈ অহা বাসন্তীয়ে ইকালে সিকালে চাই হাঁহি মাৰি ক'লে, "যোগোদা, এইবাৰ পলা আক, পাহৰিবা নেকি ?"

যোগানন্দই একো নামাতিলে; কিবা এটা আনন্দত আপ্লুত হৈ সি এবাৰ ভাবিছিল—দৌৰ মাৰি বাসন্তীৰ কলহটো ফুটাই দিব পৰা হ'লে! তাইৰ কলহটো ফুটাবলৈ দি দৌৰিব নালাগে, ছুদেং মাৰিলেই হল; তথাপিও সি দৌৰৰ কথাকেই ভাবিলে। দৌৰৰ কথা ভবাৰ লগে লগে তাৰ শিৰা-উপশিৰাবোৰত যেন নতুন নতুন তেজৰ সঞ্চাৰ হ'ল। সি নিজৰ দেহটোলৈ এনেয়ে এবাৰ চালে, মনটোক সান্ত্বনা দিলে—'এইবাৰ হবই যেতিয়া কিহৰ উথল-মাথল লগাইছ!'

গাৱঁৰ মাষ্টৰে কিন্তু কথাৰ গতি-গোত্ৰ বৰ ভাল নেদে-খিলে। এটা বিৰাট শক্তিৰ অপচয় হৈছে আৰু তাৰ লগতে এজন ল'ৰাক এনেদৰে ভুৱা দি ৰখা হৈছে। মাষ্টৰে কথাখিনি গাওঁবুঢ়াক এনেধৰণেৰে ক'লে:

"সেইবোৰ কথাত বিশ্বাস কৰিব নাপায়। তেওঁ ফুৰি আছে কি কি ধান্দাত—যোগানন্দৰ কথাটোকে কেপত ভৰাই লৈ ফুৰিছেনে? সেইবোৰ বাদ দি আমাৰ ভিতৰতে কিবা এটা কৰি দিব লাগে।"

মাষ্টৰৰ কথাখিনি গাওঁবুঢ়াই টং কৰিছিল। এবাৰ কথা সূত্ৰত গাওঁবুঢ়াই চেক্ৰেটৰীকো ক'লে, "সদায়চোন কিবা

চাকৰিৰ মৰ্যাদাৰ কাইলটো, ক'ৰবাৰ ওপৰৰ অফিচাৰজনৰ পৰা তলৰ অফিচাৰজনলৈ মহা কথা শুনি থাকোঁ। বুজিছা —সেই কাইলে কথাতহে কাইল কাটি আছে হব পায়। আমাৰ ভিতৰতে কিবা এটা কথা।"

পঞ্চায়তৰ সম্পাদকজন ইয়াত সকলোৰে 'চেক্ৰেটৰী'। সিঘৰৰ অৱস্থা যে আৰু বেয়া হৈছে, নৰেশ্বৰী আইতাই যে ইঘৰ-সিঘৰকৈ ঘুৰিব লগা হৈছে সেই কথা চেক্ৰেটৰীয়েও মন কৰিছে।

মাকে জোঁলোঙা লৰ লগা হওক—এই কথা যোগানন্দয়ো চকুৰে চাব নোখোজে। সি লতিফক ক'লে,

"অই, কাম্‌লা কামকে কৰোঁ দেই—পি-ডব্লিউত ঠিকাদাৰে বহুত মানুহ লৈছে।"

"হেৰ' তই পগলা হলি নেকি? ঠিকাদাৰে তিনি টকা হাজিৰাত সেই মানুহবোৰ পাইছে—তই তিনি টকাত পাৰিবি?"

"—তিনি টকাত?"

"হুঁ; সেইবোৰ চব বিদেশী মানুহ। আৰু যাচোন পাৰনে—এতিয়া কামলা কামো নাপায়। বিদেশীসকলে কম পইচাতে খাটে, দেখা নাই খেতিত লগোৱা সেই কাম্‌লাবোৰ? তোৰ-মোৰ ভাগ্য নাই এতিয়া- চব বিদেশী মানুহে দখল কৰিছেহি।"

পঞ্চায়তত অফিচত পিয়নৰ চাকৰি ওলাল। চেক্ৰেটৰীয়ে 'নোটিচ বোৰ্ড'ত বিজ্ঞাপনৰ কাগজ মাৰি থৈছে। গাওঁবুঢ়াই

চেক্রেটৰীক আকৌ এবাৰ মনত পেলাই দি ক'লে, "এই সুযোগতে কিবা এটা কৰা।"

চেক্রেটৰীয়েও মনে মনে তাকেই ভাবি থৈছিল। মহেশ্বৰ এমেলে আহোঁতে চেক্রেটৰীয়ে কথাটো ক'লে,

"ফাইলটোৰ কাম হৈ উঠাৰলৈকে তাক ইয়াতে খোৱা মাৰি থও বুলি ভাবিছোঁ; এনেয়ে বহি আছে—অন্ততঃ এই কেইদিন পেটৰ চিন্তাৰ পৰা সকাহ পাব।"

মহেশ্বৰেও শলাগিলে, "হব দিয়া—ভালেই কৰিছা।"

কথাটোত যোগানন্দই আপত্তি কৰা যেন কৰিছিল। কিবা চোৰাতৰ পাছেৰে খাত এবাৰ জোবাই দিয়া যেন অনুভৱ কৰিছিল। ভাবিছিল: ফাইলটো ওপৰলৈ গৈছেই যেতিয়া আৰু কেদিনমান অপেক্ষা কৰিলে কি হয়।

গাওঁবুঢ়াই তাৰ মনৰ কথা বুজি পাই ক'লে, "এমেলে জোৰাটোতো একেদিনাই হোৱা কাম নহয়, গতিকে এনেয়ে বহি থকাতকৈ............।"

মাকেও ক'লে, "এবা, ল'ৰা ভাল ঠাইলৈ ওলাইছে যেতিয়া নোহোৱালৈকে চাউল মুঠি ইয়াতেই ওলাই থাকিব।"

ভাবি-গুণি যোগানন্দই পঞ্চায়তৰ পিয়নৰ চাকৰিটোত সোমাল।

এদিন খবৰ ওলাল যে মহেশ্বৰ এমেলে মন্ত্রী হ'ল। গাওঁত সবাবো আনন্দ মিলিল, পঞ্চায়তৰ অফিচত উৎসৱ হ'ল, কথা খোচৰা-খুচৰি হ'ল: চা বে'ট মাৰিছিলি নহয়—উলিয়া এতিয়া দহ টকা......হেৰি আহমদ, দিয়ক পাঁচ টকা

ঐ যোগানন্দ, যা এই পোন্ধৰ টকাৰ চাহ-মিঠাই........।"
এজনে ক'লে, "এইবাৰ যোগানন্দক কোনে পায়—মাৰিলি টেকা।" খবৰ শুনি নৰেশ্বৰী আইতাইও আহি পুতেকৰ কাষতে থিয় হৈ সুধিলে, "হয় নে কথাটো—তই আজিয়েই লগ ধৰি আহিবিগৈ নেকি ?"

যোগানন্দ কিন্তু নগল : ডাঙৰ মানুহে কথা নেপেলায়, পেনপেনাই থাকিলেহে বেয়া পায়, তেখেতে নিজে গাত লৈছে যেতিয়া এইবাৰ হবই। পঞ্চায়তৰ অফিচলৈ সম্বৰ্দ্ধনা লবলৈ আহোঁতেও এমেলে মন্ত্রীয়ে যোগানন্দৰ কালে চাই ক'লে, "আছে তোৰ কথা মনত। কেনে লাগিছে ইয়াত কাম কৰি ?"

কেনে লাগিছে ইয়াত কাম কৰি! বুকুৰ কৰবাত বন্ধ হৈ থকা উশাহখিনি যেন মুকলি হ'ল। সি কব খুজিছিল—কেনে লাগিব আৰু, বহি বহি হাত-ভৰিৰ শিৰসোপা কোচ খালে, মাংশপেশীবোৰ গধুৰ হ'ল, গাৰ নাড়ী-ভুৰিবোৰ শুকাল—এনেকৈও মানুহে বহি বহি মৰিব পাৰেনে ; কেটলিটো লৈ দোকানৰ পৰা বাবুসকলক চাহখিনি আনি দিয়াত বাহিৰে আৰু খোজেই কাঢ়িব লগা নাই, বাৰাণ্ডাৰ টুলখনত বহি বহি হামিয়াই হামিয়াই দিন গণিছোঁ।..........। সি তেনেকৈ নক'লে, ক'লে, "হব দিয়ক—চলি আছোঁ, বেয়া লগা নাই—সিটোতো সে'নকালে হবই।" মন্ত্রীয়ে তাৰ কথা শুনিলে নে নাই বা শুনিলেও তেখেতে কি ক'লে সি একো কব নোৱাৰিলে ; তাৰ মনটো পাখী লগা চৰাইৰ নিচিনাকৈ কৰবালৈ উৰি যোৱা যেন লাগিল।

এদিন।

পঞ্চায়ত অফিচলৈ লতিফে প্ৰায় দৌৰাৰ নিচিনাকৈ

আহি যোগানন্দক সুধিলেহি "হেব গম পাইছ নে—মহেশ্বৰ এমেলে যে মন্ত্ৰী ভগা গ'ল ?"

কথাষাৰ শুনিয়েই যোগানন্দ বজ্ৰাহত হোৱা মানুহৰ নিচিনা থিয় হৈ থাকিল। তাৰ মগজুটো যেন মুৰৰ পৰা খহি গৈ ধুমুহাত ভাগিছিগি যোৱা কোনোবাদাল কৃষ্ণচূড়া গছৰ গুৰিত পৰিলগৈ।

"—মন্ত্ৰী ভগা গল ?"

"ওঁ ; অসমৰ চব মন্ত্ৰী ভগা গল ।"

যোগানন্দই কিবা ভাবিলে। অলপ পৰ নিৰবে ৰ'ল ; তাৰ পিছত কিবা সুবুজা কথাৰ দৰে পুনৰ সুধিলে,

"তাৰ মানে— ?"

"আমাৰ চৰকাৰখন বোলে ভাঙি দিলে, ৰাষ্ট্ৰপতিৰ শাসন হ'ল, এতিয়া আৰু মন্ত্ৰী নাই।"

যোগানন্দই কথাখিনি বেছিকৈ বুজিবৰ চেষ্টা নকৰিলে। সেইবোৰ বুজিবৰ চেষ্টা কৰিলেও সি বুজি নাপাব। মন্ত্ৰী নহলেও ৰাজ্য চলিব পাৰে নে নোৱাৰে এই প্ৰশ্নই তাৰ মনত অলপমান খুহুৰনি লগাইছিল। হ'লেও সি কথাখিনি প্ৰকাশ নকৰিলে । মাত্ৰ সি সুধিলে,

"এমেলে যে ফাইলৰ কথা কৈছিল সেই ফাইলটোও তাতেই থাকি গ'ল নেকি অ' ?"

"— বাদ দে এতিয়া আৰু ফাইলৰ কথা।"

যোগানন্দই লতিফৰ কথা কিন্তু একেবাৰে হৃদয়ঙ্গম কৰি পেলালে। সি তলমুৰাকৈ তলকা মাৰি থাকিল। সি তাৰ নিজৰ ভবিৰ পতা দুখনলৈ এবাৰ চালে, হঠাতে যেন দুয়োখন ভৰিত কিবা এটা বিষ উঠিল, কোনোবাখিনিত যেন

এখন সাপে এটা খোট মাৰি দিলে আৰু সেই বিষ ক্ৰমে ক্ৰমে ওপৰলৈ উঠি তাৰ কলিজা পালেহি।

এইখিনি পৰত লম্বিকে যোগানন্দৰ পৰা কিবা এটা প্ৰশ্ন আশা কৰিছিল। প্ৰশ্নটো নহাত সি আচৰিত নহল। লম্বিকৰ মনত ভেতিয়া ক্ৰিয়া কৰি আছিল : ৰাজ্যখনত বিদেশী নাগৰিকৰ অবাধ ৰাজত্ব হৈছে, ৰাজ্যৰ মাটিবাৰী সিহঁতে জোৰ-জুলুম কৰি দখল কৰি লৈছে, সিহঁতৰ ভোটৰ ওপৰত বহু দল, বহু নিৰ্বাচন প্ৰাৰ্থী নিৰ্ভৰশীল.... কাম কাজবোৰত চাকৰি-বাকৰিত বিদেশী ভৰি গ'ল, চৰকাৰে একো কৰা নাই—উপায় নাপাই ৰাইজে আন্দোলন কৰিব লগা হৈছে'...। এইবোৰ কথা যোগানন্দই এইখিনি সময়ত ভাবিছেনে নাই সি নাজানে; কিন্তু তাৰ মনত এতিয়া কিহে কেনেধৰণেৰে ক্ৰিয়া কৰিব পাৰে সেই কথা লম্বিকে ধৰি পালে।

## চাবি

ভেতিয়া দিনৰ একমান বাজিছে।

অসমত বিদেশী নাগৰিক সম্পৰ্কীয় আন্দোলনৰ বিধায়ক সকলক ঘেৰাও কৰা কাৰ্য্যসূচীত যোগদান কৰিবলৈ অঞ্চলটোৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালীবোৰ জাকে জাকে গৈছে। ঘৰবোৰত প্ৰায় মানুহ নাছিলেই।

মানুহঘৰৰ আগফালৰ দুৱাৰখন আৰু পাছলিৰ জপনাখন বন্ধ কৰি থোৱা আছে। ঘৰৰ ভিতৰফালে যে মানুহ আছে

এই কথা ৰ.টৰ পৰা ধৰিব নোৱাৰি।

ঠাইডোখৰ তেনেই উকা উকা লগা হৈছিল। হঠাৎ গাৱঁৰ মাজত আৰু মূল আলিবাটত মানুহৰ দৌৰা-হৌৰাই এক ব্যস্ততাৰ সৃষ্টি কৰি দিলে। মানুহবোৰ উত্ৰাৱল হৈ দৌৰিছে। কৰবাত যে কিবা এটা ঘটিছে এই কথা দূৰৈৰ পৰা অহা বহুত চিঞৰ বাখৰ আৰু হৈ-হৈৰ পৰা অনুমান কৰিব পৰা হৈছিল।

এক গধুৰ বো'জা কঢ়িয়াই অনা মানুহৰ মুখত ওলাব পৰা বিধৰ চিঞৰ মাৰি যোগানন্দই মানুহঘৰৰ পদুলি মুখত থিয় হ'ল :

"হেৰৌ—তহঁতৰ ঘৰত কোনো নাই নেকি ? কোনোবা আছ যদি ওলাই আহ" বোলো কোনোবা আছ নে নাই ?"

"কিয়, কি হ'ল, নাহ কিয় ভিতৰ সোমাই ?"

"জপনাখন খুলি দেহি কথা গুৰুতৰ।"

ঘৰৰ ভিতৰৰ পৰা খিৰিকীখন খুলি পুলিচে চোৱাৰ নিচিনাকৈ এজনে পদুলিলৈ চালে : যোগানন্দই তেনেকৈ মাতিছে কিয় ! তাৰ পিছত প্ৰায় জাপ মৰাৰ দৰে ওলাই আহি বিশ্বনাথৰ চকু থিৰ হ'ল। অবাক বিস্ময়াভিভূত হৈ জপনাখন খুলি থকা অৱস্থা'তে সুধিলে,

"কি হ'ল—কি হ'ল ? তেজেৰে লুতুৰ পুতুৰ হৈছচোন —বোকোচাত সেয়া কোন ?"

"আগতে ধৰ—ই মৰিল।"

"মৰিল ? কোন মৰিল ?"

"মৰিল বুলিয়েই ধৰি ল'।"

ইতিমধ্যে বিশ্বনাথে তাক ধৰিছিল। বোকোচাৰ পৰা

আলফুলকৈ সমাই থুপো আথেবেথে ধৰি ভিতৰ চোতাললৈ গতি কৰি থাওঁতে যোগানন্দই ক'লে,

"ঘটনা গুৰুতৰ। কিমান বাচিল, কিমান মৰিল কোনো লেখ নাই। পুলিচে বাধি আছে আৰু মানুহে ডাক্তৰখানালৈ ঘটবেথে নি আছে। গোটেইখনত জোৰৰ জোঁৱা বাহিৰে…… চাও ভালকৈ ধৰ—ইচ্ বাস—ভই কি কৰিছ ভালকৈ নধৰ কেলেই ?"

"আস্তে ·· হাতখন পিহলিছে উঃ, ঠিক আছে—বল লাহে লাহে …… ।"

চোতালত থকা বেঞ্চখনৰ ওপৰত লাহেকৈ শোৱাৰ লগে লগে বেদনাক্লিষ্ট এক বিকট চিঞৰৰ পিছত কোঁপাই কোঁপাই মানুহজনে ক'লে,

"মৰিলোঁ ঔ—মই মৰিলোঁ · · ।"

এটা দুটাকৈ আহি আহি বহুত মানুহৰে চোতাল ভৰি পৰিল এটা হুলস্থুলৰ সৃষ্টি হ'ল : কান্দোন, চিঞৰ বাখৰ। উদগ্ৰীৱ মানুহবোৰে প্ৰশ্ন কৰিছে, পৰামৰ্শ দিছে :

ঘটনাটো কি……

কি হ'ল দিগম্বৰ……

ক'ত ক'ত আঘাত পাইছে বাচিবনে লাঠিৰে কোবালে নে বন্দুকৰ ঠাবিৰে নে…… বাহিৰে বাহিৰে ডাক্তৰখানালৈ নিব লাগিছিল……

গালে-মুখে এক বিতৃষ্ণা আৰু অৱজ্ঞাৰ চিন ফুটি উঠিল যোগানন্দৰ। এক সোঁমোঠা গাম্ভীৰ্য্য :

"—এৰা লাগিছিল।" মুখৰ ভিতৰতে ভোৰভোৰাই উঠিল।

কাণ তাল মাৰি ধৰা কোলাহলটো কোনেও ভাবিব নোৱাৰাকৈ তত্তালিকে বন্ধ হ'ল, এক মৌন পৰিৱেশৰ সৃষ্টি হ'ল—

: যেন কাৰোবাৰ আকস্মিক মৃত্যুত মানুহবোৰ হতবাক হৈ পৰিছে·······

: যেন এজাক প্ৰবল ধুমুহা বতাহে ছন কৰি যোৱা গাওঁখনৰ মাজত কৃষ্ণপক্ষৰ ক'লাবোৰৰ মাজত এটা গহীন মাজনিশাই শুই পৰিছে·······

পুলিচৰ লাঠিচালনাত আহত হৈ তেজে লুতুৰ-পুতুৰ হৈ পৰা দিগম্বৰ বেঞ্চখনৰ ওপৰতে চিং হৈ এক বিভৎস যন্ত্ৰণাত চটফট কৰি আছিল। ইতিমধ্যে গাৱঁৰ মানুহ আহি উদগ্ৰীৱ হৈ বেঞ্চৰ চাৰিওফালে ভৰি পৰিছিল আৰু এক হৈ-হৈৰ মাজত সকলোৱে একেবাৰ কথাকে কৈছিল: ইয়াক ডাক্তৰখানালৈহে নিব লাগে—তোমালোকে কি কৰি আছা, কি চাই চাই কি ভাবিছা—সি মৰিব········।

দিগম্বৰক হাস্পাতালৈ নিবৰ মানসেৰে কেইজনমানে আগবাঢ়ি তুলি লব খোজোঁতেই চকু যোপা কৰি চালে। যোগানন্দই দেহৰ সৰ্বশক্তি এৰি এটা গোজৰনি মাৰিলে আৰু ক'লে,

"খবৰদাৰ, তাক কোনেও নিনিবা। ইয়াতেই—ইইতৰ চোতালতেই মৰক আৰু জিৰীয়ে-চলিয়ে পুলিচ-মিলিটেৰীৰ বেহুত সোমাই থকা এখেলে খুড়াকে আহি যৰৰ মানুহক কৈফিয়ৎ দিয়ক, গাৱঁৰ মানুহক কৈফিয়ৎ দিয়ক, ভোট দি

এমেলে মন্ত্ৰী পত্তাসকলক কৈফিয়ৎ দিয়ক…………।" তাৰ পিছত অলপ বৈ আকৌ ক'লে, "সেইজন নৰেশ্বৰ এমেলেক ভোটত উঠোঁৱাতে মঞেই দেহা মাৰি খাটিছিলোঁ—এতিয়া মঞেই তেওঁক দেখুৱাম এই কথা কাণ্ডবোৰ। কিয় হ'ল! কাৰ বাবে হ'ল!"

"তই ইমান উত্তেজিত হৈছ কিয় যোগো, ইয়াক সঁচাকৈ মৰিবলৈ দিবি নে ডাক্তৰখানালৈ নিবি?"—বিশ্বনাথে কৈ উঠিল।

যোগানন্দ অলপ থমকিল। সি যেন এটা ডাঙৰ ভুল কৰি আছে এই কথা নিজে নিজেই অনুমান কৰি পেলালে। তাক বাহিৰে বাহিৰে ডাক্তৰখানালৈ নিনি ঘৰলৈ লৈ অনাটো এটা বৰ ভুল হৈ গ'ল। তাৰ খঙটোক সি দমন কৰিব লাগিছিল, আৰু এইটো খং কৰা সময়ো নহয়। আনহাতে সি ইয়ালৈ আনিলে বুলিয়েই মানুহবিলাকে তেনেকৈ চাই নাথাকি তাক নিয়া নাই কিয়! তাক সকলোৱে ভক্ষ- কৰে নেকি—নে সিয়ো কিবা নেতাৰ ধৰণৰ হৈ গ'ল!

ইতিমধ্যে কেইজনমানে দিগম্বৰক তুলি লৈ গৈছিল আৰু যোগানন্দই পগলাৰ নিচিনাকৈ থিয় হৈ ৰৈছিল।

ঘৰৰ বুঢ়ীজনীয়ে ইমান পৰে কি কৰিব কি নকৰিব ভাবি একো উৱাদিহ নাপাই কথা-কাণ্ডবোৰ চাই আছিল। এইবাৰ যোগানন্দক আহি কিবা ক'লে, বুঢ়ীৰ কথাখিনিয়ে যোগানন্দৰ মনত কোনো প্ৰতিক্ৰিয়া নকৰিলে, সি বুঢ়ীলৈ উভতিও নাচালে। তেওঁ আগবাঢ়ি ক'লে, "মোৰ বাল্টিত কেতিয়াবাই পানী দি থৈছোঁ।—হাতভৰিকন ধুই ল'………।"

এইবাৰ পানীৰ বাল্টিটো আগবঢ়াই দিবলৈ আগবাঢ়ি

খাওঁতে বুঢ়ীয়ে যোগানন্দৰ কঁপালটৈ ভালকৈ চাই সুধিলে,

"তোকো কোৱালে নেকি সিহঁতে? কঁপালেদিচোন তেজ ওলাই আছে। চাওঁ চাপৰি দেচোন.........."

যোগানন্দই তাৰ নিজৰ বিষয়ে ইমান পৰে ভবা নাছিল। তাৰ মনত পৰিল : এবা সিয়োতো কোৰ খাই-ছিল। ছিঃ সি ইমান অস্থিৰ হব পায়নে—মানুহ এনেকুৱা হব নাপায়। "সকলো কথাত ধৈৰ্য্য লাগে। আৰু এটা কথা—মই তেওঁলোকক গালি পাৰিলোঁ। কিয়—কি কথাত এনেকুৱাবোৰ ঘটিছে সেইবোৰ মই জানো সুধিলোঁহেঁতেন।...... ছেঃ......।" —সি ভাবিলে। তাৰ পিছত বুঢ়ীৰ কথাখিনিৰ উত্তৰ যে সি দিয়া নাই এই কথা তাৰ মনত খেলোৱাৰ লগে লগেই ক'লে, "তাক বচাবৰ কাৰণে মই দৌৰি গৈছিলোঁ —দিলে সিহঁতে মোকো কোৱাই। দিব পাৰিলোঁহেঁতেন মযো এছাত ঠিকছে, চি-আৰ-পিটোক গোৰ এটা মাৰি দিবৰ, জোখাবে খঙো উঠিছিল। পিছে নিদিলোঁহে, নেতা-সকলে আগতেই মাইকত সাৱধান কৰি দিছিল—কোনেও যেন শান্তি ভংগ নকৰে—পুলিচ মিলিটেৰীয়ে কিবা কৰিলেও আমাৰ কোনেও যেন একো নকৰাকৈ থাকে।"

যোগানন্দৰ হাতত মগটোৰে পানী ঢালি ঢালি বুঢ়ীয়ে ক'লে,

"ভালেই কৰিলি, আমাৰ হাততো আৰু বন্দুক-বাৰুদ নাই! আৰু কৰিবিয়েইবা কিয়!"

যোগানন্দই এইবাৰ যেন কিবা এক ক্লান্তি অনুভৱ কৰিলে। এক নিষ্ঠুৰ আঘাতেই যে তাৰ এই ক্লান্তিৰ কাৰণ সেই কথাও সি হৃদয়ঙ্গম কৰি পেলালে।

যোগানন্দই কথাবোৰ কিবা ওলোটা ওলোটা হৈ যোৱা বুলি অনুভৱ কৰিলে। মানুহ সম্পৰ্কে তাৰ ধাৰণা ঠিক তেনেকুৱা নাছিল—সকলো মানুহকে সি তাৰ নিচিনা বুলি ভাবি আছিল আৰু ভাবিছিল 'ডাঙৰ মানুহ'বোৰক সিহঁতহঁকৈ বহুত ওপৰৰ 'ডাঙৰ বুলি। এই কথাখিনিয়ে তাৰ কাঁইটে বিন্ধাৰ নিচিনাকৈ বিন্ধিলে। কোমল ফুল এপাহৰ মাজত লুকাই থকা এটা দুৰ্বৃত্তই (নে ডকাইতে।) যোগানন্দক হাতে-ভৰিয়ে বান্ধি থৈ তাৰ মনৰ মাজত থকা গোপন চন্দুকৰ পৰা সকলো মূল্যবান ধন লুটি লৈ গ'ল—

: এটা ছয় বছৰীয়া শিশুৰ দৃষ্টিত যেন থিয় হৈ আছেহি এক হতাশাগ্ৰস্ত বৃদ্ধ·· ··· · ···

: বিৰাট অট্টালিকা এটা সাজিবৰ মানসেৰে হাতত যেন সি ধাৰণ কৰি আছে মাত্ৰ এটা বালিৰ চপৰা (এই চপৰাটোকো কাৰোবাৰ গালৈ মাৰি দি একেবাৰে নিশ্চিন্ত হবলৈ সি যেন অপেক্ষা কৰি বৈ আছে ····· )

অপেক্ষা কৰি ॥

বুঢ়ীজনীয়ে কিবা কৈ আছিল। সি মন কৰা নাছিল। কিন্তু এইবাৰ বুঢ়ীয়ে কোৱা শুনিলে,

"বেদেখাজনে দেখি আছে, বাইজৰ শাও—এদিন খহি পৰিব—চাবি ········ ।"

"এৰা এদিন খহি পৰিব"—যোগানন্দৰ যেন কিবা চকু মুকলি হ'ল। তাৰ মনটো কৰকাল হৈ পৰিল আৰু ভৱিষ্যতৰ কালে চোৱা যেন কৰিলে: সিহঁত এদিন খহি পৰিব, বাইজৰ জয় হব। সি ক'লে, "পেহী মইও ডাক্তৰখানালৈ যাওঁ, কঁপালত কাটি যোৱাখিনিত পানী লগালে ভাল নহব

—আৰু বেছি খুমো হোৱা নাই হব পাৰি।"

এনে সময়তে চিঞৰি চিঞৰি হেঁপাই-ফোঁপাই কোনোবাই আহি আহি কিবা কোৱা শুনা গ'ল। যোগানন্দই সিফালে ঘূৰি চায় মানে টোকনত 'ভৰ দি দি সোণেশ্বৰ গাওঁবুঢ়া চোতাল পালেহি আৰু ক'লে, "শুনিছনে নাই—ঘটনা গুৰুতৰ।"

"—কি হ'ল?" এক ব্যগ্ৰতা যোগানন্দৰ চকুত।

"হব আৰু কি—তাক গুলীয়ালে, সি মৰিব।"

যোগানন্দ আৰু ব্যাকুল হ'ল।

"—কাৰ কথা কৈছা?"

"লতিকক, তাক পুলিচে গুলীয়ালে···· ডাক্তাৰখানালৈ নিছে বোলে········ ····অৱস্থা বেয়া বোলে·········তই যা—তই যা বোগো—সি মৰিব·········"

এনে এটা বতৰা শুনিবৰ কাৰণে যোগানন্দ সমূলি প্ৰস্তুত নাছিল। বজ্ৰাহতৰ দৰে সি য'তে আছিল ত'তে থিয় হৈ ৰ'ল:

এটা চেতনাৰহিত দেহা যেন শূন্যতে ওলমি আছে।

যোগানন্দৰ ফালে চাই গাওঁবুঢ়া স্তম্ভিত হ'ল—

: তাৰ কি হ'ল!

: সি তেনেকৈ থিয় হৈ থাকিল কিয়!

: সিচোন আকৌ কেনেখন কৰে এতিয়া!

"বোগো"—একৰকম গৰ্জি উঠাৰ নিচিনাকৈ উচ্চাৰণ কৰিলে গাওঁবুঢ়াই, "যোগানন্দ, তই—তই নামাত কিয়? যোগানন্দ··········"

যোগানন্দই যেন সম্বিত ঘূৰাই পালে। মূৰ তুলি উদাস

দৃষ্টিৰে চালে। তাৰ পিছত সুস্থিৰ হবলৈ যত্ন কৰি সি ক'লে, "—মাই, এমেয়ে ·········· ব'বা তুমি লতিকৰ কথা কৈছিলা নহয় ? তাক গুলী কৰিছে বুলি কৈছিলা ?"

"তই পগলা হলি নেকি? ডাক্তৰখানালৈ নাবাৰ কিয় ?"

একৰকম পগলাৰ নিচিনাকৈ প্ৰথমতে চলংচেপাংকৈ খোজ ল'লে; তাৰ পিছত এনে এক তীব্ৰ বেগত সি দৌৰ মাৰিলে যেন সি উৰাহে মাৰিছে। যাওঁতে মুখেৰে কিবা এটা অদ্ভুত শব্দ কৰিলে। সেই শব্দৰ প্ৰতিধ্বনিয়ে গাৰঁৰ কোনটো কেন্দ্ৰ বিন্দুত খুন্দা মাৰিব পাৰে সেই কথা গাওঁবুঢ়াই ভতালিকে অনুভৱ কৰি পেলালে।

## ॥ পাঁচ ॥

পঞ্চায়ত অফিচৰ মুখামুখীকৈ স্কুলঘৰটো : ৰায়বাহাদুৰ জগতচন্দ্ৰ মেমোৰিয়েল স্কুল। বহুদিনৰ, বহু কথাৰ, বহুজনৰ জীৱনৰ স্মৃতি বহন কৰি থিয় হৈ আছে এই স্কুলঘৰটো।

বৃটিচৰ দিনতে সাজি দিছিল এই বিদ্যালয়টো যোগ্যানন্দ কাকতিৰ বংশলতাৰ আগৰ পুৰুষৰ এজন শাৰীৰিক শক্তিত অবিশ্বাস্যভাৱে শক্তিমন্ত পুৰুষ জগতচন্দ্ৰ কাকতিৰ পবিত্ৰ স্মৃতিত তেওঁৰে পুত্ৰ পৃথিৱী বিখ্যাত চিকাৰী লোকেশ্বৰ কাকতিয়ে। জিলাখনৰ ভিতৰতে পুৰণি এইখনেই হাইস্কুল যত জাতি-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলো ল'ৰা-ছোৱালীয়ে একেলগে পঢ়িছিল। ছাত্ৰাবাসত থকা ছাত্ৰসকলে পঢ়িব লাগিছিল

একেটা চৌকাতে বহা ভাত একেলগে খাই। ছাত্ৰাবাসৰ প্ৰবেশ দ্বাৰত বিলাতী-মাটিৰে তৈয়াৰ কৰা এখন প্ৰকাণ্ড ফলিত মহাপুৰুষ হৰিদেৱৰ এইবাৰ বাণী লিখা আছিল :

কলিতা সৌণ্ডিক মধ্যে জাতিভেদ এৰি।
একত্ৰেসে চলিবাহা মোৰ আজ্ঞা পালি ॥
বিবাহাদি নিজ নিজ জাতিত চলিবা।
ভোজনাদি কৰ্মসব একত্ৰে কৰিবা ॥

পঞ্চায়ত অফিচৰ বাৰান্দাত বহি সেইখন ফলি এতিয়াও সুন্দৰকৈ পঢ়িব পৰাকৈ সুন্দৰ হৈ আছে।

যোগানন্দৰ পিতাকে সৰুতে তাক এইখন স্কুলৰ কথাকে কৈছিল : তাহানি হেনো অঞ্চলটোত এখন ডাঙৰ সংস্কৃত টোল আছিল। টোলখন আছিল বিখ্যাত ; গোটেই অসমৰ পৰা ছাত্ৰ আহি ইয়াতে পঢ়িছিল। ইয়াৰ অধ্যাপক সকল আছিল সংস্কৃতত একোজন বিদগ্ধ পণ্ডিত। শিক্ষাতো আছিল বৰ নামকৰা। ভাৰতবৰ্ষৰ বহুত ডাঙৰ ডাঙৰ বিদ্বান লোকো বোলে ইয়ালৈ মাজে-সময়ে আহিছিল আৰু কিবাকিবি চৰ্চা কৰিছিল।

ছাত্ৰসকলে গুৰুগৃহতে থাকি পঢ়িছিল ; গুৰুগৃহতে তেওঁলোকে কাম কৰিব লাগিছিল আৰু নিজৰ উপাৰ্জন নিজে কৰি তেওঁলোকে নিজৰ খৰচ-পাতি চলাব পাৰিছিল। পঢ়া পাঠৰ লগতে এইসকলে স্বাৱলম্বীতাৰ বিষয়ে শিক্ষা লাভ কৰি নিজৰ ভৱিত নিজে থিয় হব পৰা হৈ গৈছিল। সেইগুণে তেওঁলোকে পিছত চাকৰী-বাকৰীৰ কাৰণে কোনো চিন্তা কৰিবৰ আৱশ্যক নহৈছিল।

যোগানন্দৰ ককাক সোমেশ্বৰ কাকতি সেই সময়ত জিলা-খনৰ ভিতৰতে বিলাত দেখা প্ৰথম লোক। বিলাতত তেওঁ বহুত কথা দেখি-শুনি আহিল। সংস্কৃত টোলখনত যিসকলে পঢ়াৰ সুবিধা নাপায় সিসকলৰ কাৰণে এখন ডাঙৰ বিদ্যা-লয়ৰ যে দৰ্কাৰ এই কথা তেওঁ অনুভৱ কৰিলে। বিদ্যা-লয়খনত যাতে সকলো ল'ৰা-ছোৱালীয়ে একেলগে পঢ়িব পাৰে তাৰো আৱশ্যকতাৰ কথা তেওঁ অনুভৱ কৰিছিল।

গতিকে বিলাতৰ পৰা আহিয়েই সোমেশ্বৰ কাকতিয়ে মনচুৰ গাওঁবুঢ়াৰ লগত আলচ কৰিলে আৰু সেই অনুসৰি স্কুল সাজি দান কৰিলে। মনচুৰ গাওঁবুঢ়াই হেনো পাঁচ-জন দুখীয়া ছাত্ৰক ছাত্ৰাবাসত ৰাখি থকা-খোৱা খৰচ, পাঁচজন শিক্ষকৰ তিনি বছৰৰ কাৰণে দৰমহাখিনি দান কৰিছিল আৰু দান কৰি কৈছিল—জগতচন্দ্ৰ কাকতিৰ পৱিত্ৰ স্মৃতিৰ কাৰণে তেওঁ সেইখিনি দান কৰিছে। এইজন মনচুৰ গাওঁ-বুঢ়া আছিল আজিৰ যোগানন্দৰ সমনীয়া আৰু বন্ধু আব্দুল লতিফৰ ককাক।

পঞ্চায়ত অফিচৰ বাৰান্দাৰ টুলখনত বহি বহি যোগা-নন্দই স্কুলখনৰ চৌহদৰ কাষতে মতুনকৈ দিয়া কবৰটো একেথৰে চাই চাই ভাবি আছিল—

: গণ-সংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাই পতাকাৰে মেৰিয়াই অনা বাকচৰ ভিতৰৰ লতিফক আগত লৈ এটা দিৰাট মৌন সমদলৰ পিছত সেই ঠাইত তাক কবৰ দিয়া হৈছে। বাটে বাটে শোভাযাত্ৰাটোলৈ অপেক্ষা কৰি থকা হাজাৰ হাজাৰ লোকে মৃত আব্দুল লতিফৰ গালৈ ফুল দলি-য়াই হাতযোৰ কৰি এনে ভাৱ প্ৰকাশ কৰিছিল যেন একজন

মহান নেতাক সন্মান প্ৰদৰ্শন কৰিছে। যোৱা কালি হাজাৰ হাজাৰ লোকে সেইটো কবৰক ঘেৰি লৈ প্ৰাৰ্থনা কৰিছিল, ফুলৰ মালা দি শ্ৰদ্ধা যাচিছিল, চাকি-বন্তি জ্বলাইছিল, কবৰটোক ঘেৰি বহুহাজাৰ মমবাত্তি জ্বলিছিল ;

: সি তাত শুই আছে—নিশ্চিন্ত মনে শুই আছে—তাৰ এতিয়া কোনো আশা-ভৰষা নাই—আমি কি কৰোঁ কি নকৰোঁ সি কবৰৰ ওপৰত নতুনকৈ জাপি দিয়া মাটিৰ ওপৰতে বহি মনে মনে চাই আছে ;

: আৰু কেদিনমান গলেই কবৰৰ ওখ মাটিখিনি বহি সমান হব, তাত ঘাঁহ বন গজি এখন দলিচাৰ নিচিনা হব আৰু সেই দলিচাৰ ওপৰত বহি বহি সি নামাজ পঢ়িব, আজান দিব ; সেই আজান আমি আমাৰ এই কাণেৰে নুশুনিম, শুনিব আমাৰ আত্মাৰ লগত সংযোগ হৈ থকা কাণবোৰে ...... আমাৰ নামঘৰত থকা নামৰ তালে তালে চাপৰি বজাই সি কবৰৰ ওপৰত বহি কোনেও নেদেখাকৈ থাকিব ...... আমি দেখিম আমাৰ আত্মাৰ চকুৰে ...... ;

এটা এটাকৈ অতীতৰ বহু কথা তাৰ মনত পৰি গল : কেনেকৈ সিহঁতে একেলগে ডাঙৰ হৈছিল, কেনেকৈ একেলগে বগৰী খাই ফুৰিছিল, কেনেকৈ স্কুলৰ শ্ৰেণীত একেলগে বহি বহি কথাবোৰ পাতিছিল, কেনেকৈ যোগানন্দৰ লগত লন্তিকে একেলগে খোজ কাঢ়িব নোৱাৰি তাক গালি পাৰিছিল, কেনেকৈ দৌৰ প্ৰতিযোগিতাত যোগানন্দক চাই চাই সি হাত চপৰিয়াই চপৰিয়াই ঠাইতে জপিয়াই আছিল আৰু দৌৰৰ শেষত তাক গৈ সাৱট মাৰি ধৰিছিল, কেনেকৈ সি বহু নিশা এৰে বিচনাত শুই শুই কথা পাতিছিল আৰু

কৈছিল 'আমি ঘুৰো যদি একে আইব দুই বঁজা তাই হৈ জম্মিলোহেঁতেন" ', কেনেকৈ যোগানন্দৰ মাকেহে তালৈ কইনা চাই বিয়া ঠিক কৰি দিছিল" ;

যোগানন্দৰ দিহামতেই বাইজে তাক সেই ঠাইতে কবৰ দিলে। এই নতুন কবৰটোৰ কাষতে আছে মনচুৰ গাওঁবুঢ়াৰ কবৰটো, মনচুৰ গাওঁবুঢ়াৰ কবৰৰ কাষতে সোমেশ্বৰ কাকতিক থৰি দিয়া হৈছিল—তাত এটা ভেটি নিৰ্মান কৰি থোৱা আছে।

স্কুলঘৰ প্ৰতিষ্ঠা দিবসৰ দিনা তাত গীতা, কোৰাণ, বাইবেল আদি বছৰি পাঠ কৰা হয়, নাম কীৰ্তন হয়, স্কুল ঘৰত চাকি-বন্তি জ্বলোৱাৰ লগতে ইয়াতো চাকি-বন্তি মমবাতি জ্বলোৱা হয়।

সেইকালে চাই চাই যোগানন্দৰ চকুৰ পৰা পিৰ্‌পিৰকৈ দুধাৰ চকুলো বৈ গল। তাৰ পিছত টুলখনতে সোফালৈ ঘূৰি ল'লে আৰু দূৰলৈ চকু বাখি কিবা চিন্তামগ্ন মানুহৰ নিচিনাকৈ বহি থাকিল।

"—অই, তই কি ভাবি থাক ?" —বিপৰীত ফালৰ পৰা অহা চক্ৰধৰৰ মাতত যোগানন্দৰ মৌনতা ভঙ্গ হ'ল। সি ঘূৰি বহিল আৰু ক'লে, "নাই—এনেয়ে। কথাবোৰ চব ওলট-পালট হৈ গ'ল অ' চক্ৰ, সি মৰিব নালাগিছিল।"

"দেশৰ কাৰণেই সি গ'ল। তই বা মই ক'লেও যাব লগাজন নোযোৱাকৈ নাথাকে।"

"—মই যে একেবাৰে সহিব পৰা নাই। সি তেনেকৈ যাব বুলি ভবা নাছিলোঁ।"

“খাদ্যব মানুহে তাব কাৰণে কান্দিছে।”

যোগানন্দৰ দুচকুৰেদি আকৌ দুধাৰ চকুলো বাগৰিল ; তাৰ ফেকুৰি ফেকুৰি কান্দিবলৈ মন গৈছিল।

“পেটত গুলীটো লৈ লৈ ডাক্তৰখানাত লতিকে মোক ক’লে : যোগো মইতো গলোঁৱেই—তই তাইক চাবি—তোক যোজা এটা দি গলোঁ ... তাইৰ কেঁচুৱা হব, কেঁচুৱাটোক তই কিন্তু মানুহ কৰিবি·········”

কথাৰ সুৰ বদলাবৰ কাৰণে এইবাৰ চক্রধৰে ক’লে, “ৰেডিঅ’ত কি কৈছে জানা ? সি বোলে পুলিচৰ গালৈ ইটা দলিয়াইছিল, পুলিচে বোলে আত্মৰক্ষাৰ কাৰণে গুলী চলাব লগা হৈছিল। অফিচৰ লোহাৰ গেট ভাঙি বোলে লতিকে ·· ·”

কথাবাৰ শেষ নহওঁতেই একৰকম গোজৰণি মৰাৰ নিচিনাকৈ ক’লে, “চব মিছা—চব মিছা। ৰেডিঅ’ৰ কথা’ত বিশ্বাস নকৰিবি—সিইঁতে কথা সাজি কৈছে·········। মই নিজে দেখি আছোঁ– মানুহবোৰ শান্ত আছিল; তেওঁলোকে মহাত্মা গান্ধীৰ ছবিখন সমদলৰ আগত লৈ গৈ আছিল আৰু সমদলটো ভাঙি দিবৰ কাৰণে লাঠি আৰু গুলী চালনা কৰিছিল। মই নিজেই দেখিছোঁ—ক’লেই হবনে ?” অলপ ৰৈ আকৌ ক’লে, “বেয়া লাগিছে - ৰাতিপুৱা বান্ধি-বাঢ়ি হাচিনাই গিৰিয়েকৰ কাৰণে ভাত সাজি থৈ ওলাই গৈছিল সমদলত যোগ দি এষেলেক ঘেৰাও কৰিবলৈ। সাজি থোৱা ভাত তেনেকৈয়ে থাকিল, লতিকক ভাই মাত এষাৰো দিবলৈ নাপালে, মৰিবৰ পৰত দেখাও নাপালে।”

সি আকৌ ক’লে, “তাইৰ প্ৰসৱৰ সময়—অথচ তাইও

কেনেকৈও কৰিবলৈ গৈছিল। সেই জৰা মানুহজনীকো পুলিচে এনেদৰে মাৰিবলৈ পাৰেনে.......! "সিহঁত নিৰ্দয়......সিহঁতে মানুহক মানুহ বুলি নাভাবে"........কোনোবাই কোনোবাই তাইক গোৰ মাৰি মাটিত বগৰাই দিছিল, সেই গৰ্ভৱতী মানুহজনী হামকুৰি খাই পৰিছিল, সেই যাতনা লৈ তাই ঘৰলৈ উভতিছিল। আৰু কি জান—পুলিচে লাঠি আৰু গুলী চলোৱাৰ আগতে বোলে লতিকে তাইক তাতে দেখি এটা তৃপ্তিৰ হাঁহি মাৰি কৈছিল: 'তয়ো নহাকৈ দেওকাৰিলি, নাহিলেও হ'লহেঁতেন, বেছি পৰ কাণ্ডাকিৰি—বুজিছ।'

তাৰ কথাৰ অৰ্থ কাচিনাই বুজি পাইছিল। মূৰ দুপিয়াই বোলে কৈছিল "মাজতে অৱসৰ উলিয়াই ভাতকেইটা খাই আহাগৈ—মই সাজি থৈ আহিছোঁ। যোগোদাহঁতৰ আইতাই এগিলাচ গাখীৰ দি পঠাইছিল, 'মই তোমাৰ কাৰণে থৈছোঁ, খাই থবা—নহলে কাটি যাব..........।'

"পুলিচৰ মাৰত জগা হাতখন জখম কৰিব নোৱাৰা-কৈয়ে তাই ঘৰলৈ গৈছিল আৰু বাটতে হেনো শুনিছিল যে কোনোবা এজনক পুলিচে গুলী কৰিছে আৰু ডাক্তৰ-খানা পোৱাৰ পিছত সিজন মৰি গ'ল। পিছত তাই যেতিয়া গম পালে যে মৰাজনেই তাইৰ গিৰিয়েক লতিক—তেতিয়া তাই কেৱল হুৰাওবাকৈ কান্দিলে—কান্দোনত গগন ফালি গ'ল। বেয়া লাগি আছে—আজি হেনো তাইবো পা বেয়া।"

'গুলী চালনাৰ কাৰণে হেনো চৰকাৰে তদন্তৰ আদেশ দিছে।'"

"—যাদ দে তদন্ত, তদন্তই মৰাজনক ঘূৰাই দিবনে?

যে সি মৰা নাই বুলি কব পাৰিব? বহাতে টুলখন অলপ ঘূৰাই দি আকৌ ক'লে, "মৰিবৰ আগদিনা লতিফে কৈছিল মৈণীয়েকৰ ল'ৰা হ'লে নাম ৰাখিব 'তেজ', ছোৱালী হ'লে নাম দিব 'জুই'। সি বেচেৰাই তেজকো নেদেখিলে, জুইকো নেদেখিলে।"

লতিফৰ ঘৰখনত কিবা এটা কৰিবলগীয়া কাম কৰিবলৈ বৈ গৈছে বুলি যোৱা কালিৰে পৰা যোগানন্দই অনুভৱ কৰিছে। পুলিচৰ লাঠিৰ কোবত হাচিনাৰ সোঁবাহুৰ এবাই যোৱা মগজুৰ ওপৰত ডাক্তৰে বেণ্ডেজ লগাই দিছিল, হাতখন তাই লৰচৰ কৰিব পৰা নাছিল। ডাক্তৰে কৈছিল—হাত ভাগিব পাৰ, এক্স-ৰে কৰিব লাগিব। অবিশ্বাস্যভাবে গিৰিয়েকক হেৰুৱাই পাগলীনী হৈ পৰা মানুহজনীয়ে দেহা-টোত পুলিচৰ গোৰ, লাঠিৰ কোব আদিৰ যন্ত্ৰণাৰ কথা ভাবিব নোৱাৰে। গাওঁখনৰ ল'ৰা-ছোৱালী, মুনিহ-তিৰোতাই ঘৰখন জনাকীৰ্ণ কৰি ৰাখিছে। বয়স্কা মহিলাসকলে মানুহ-জনীৰ কাষত থাকি দিনে-নিশাই শুশ্ৰূষা কৰি আছে—সান্ত্বনা দি আছে। যোগানন্দই জানে যে এনে এটা সময়ত সি মানুহজনীৰ কাৰণে একো কৰি দিব নোৱাৰে; তথাপি কিবা এটা সহায় কৰি দিব পাৰিলেহে যেন কিবা শান্তি পায়।

আঃ লতিফ! সিনো এনেদৰে মৰি যাব পাৰেনে? বন্দুকৰ গুলীটো পেটত লৈও সি খাবাখাবে বৈ যোৱা তেজ-খোৰ চাই চাই চিঞৰি চিঞৰি কৈছিল: মোৰ অসমৰ মাটিত মই এই তেজ মিলাই দিলোঁ, ইয়াৰ ধূলি অলপ

আনি মোৰ গাৰে-মূৰে ছটিয়াই দিয়া—কঁপালত এটা ফোঁট লগাই দিয়া—মই পৰম তৃপ্তিৰে মৰিম……।" মানুহবোৰে লতিকক ডাক্তৰখানালৈ লাহি লৈ গৈছিল ; তাৰ পিছত……। কিযে এক নিৰ্মম আঘাত—কিযে এক কৰুণ মৃত্যু। যোগানন্দৰ বুকুখনে ৰমৰমাই উঠিল, অথচ সি কান্দিব নোৱাৰিলে। তাৰ পিছত আৰু কিবাকিবি ভ্ৰান্তি থাকিল।

এবাৰ যোগানন্দই তাৰ মূৰটো আচম্ভাই কৰা যেন পালে। এবা, তাৰ কি হ'ল—এনেকুৱাতো তাৰ কাহানিও হোৱা নাই। বহি বহিয়েই সি মূৰৰ চুলিত খামোচ মাৰি ধৰি টানি চালে। ছিঃ মূৰটো আচম্ভাই কৰিব কিয় ?

সি প্ৰকৃতিস্থ হবলৈ চেষ্টা কৰিলে। সি ভাবিলে: কথাবোৰ ইমান কঠোৰভাৱে চিন্তা কৰিবলৈ তাক কিহে পাইছে। যি হবৰ হৈ গল—ভাবি কি লাভ ? এতিয়া মানুহজনীৰ কাৰণে কি কৰিব পাৰি তাকেহে ঠিক কৰিব লাগে।

সি ঠিক কৰিলে : হৈ যোৱা ঘটনাবোৰৰ বিষয়ে সি আৰু নাভাবে। কথাবোৰ সহজ কৰি ধৰি ল'লেই হ'ল। কিনো নোহোৱাটো হৈছে—মানুহ মৰেই, সি যেনিবা গুলী খাই মৰিল, সি ন্যায় বিচাৰোঁতে তাক যেনিবা কোনোবাই অন্যায়কৈ মাৰিলে। মাৰিলে মাৰিলে—বিচাৰ কৰোঁতা সকলে বিচাৰ কৰি থাকক ; বিচাৰ কৰিবৰ কাৰণেই তেওঁলোকক দৰমহা দি ৰখা হৈছে। আৰু সেই তিৰোতাজনীয়ে মাৰ খালে। খালে খালে ; কিমান গৰ্ভৱতী তিৰোতাৰ কিমান ধৰণৰ দুৰ্ঘটনা হয়—এইজনীয়ে যেনিবা এটা বেলেগ ধৰণৰ দুৰ্ঘটনাৰ বলি হ'ল। আৰু তাইতো এটা নিন্দনীয় কাম কৰি মাৰ খাবলৈ যোৱা নাই। বিজনী তিৰোতাই

এনে এটা সময়ত আদালতে এজেৰেও এইদৰে, মোকালতি বা অন্য সেইবোৰ কিবোজাই নিজৰ কিবা এটা সুনিশ্চিত সম্বন্ধ কথা জানি-শুনিও ধৰম পৰা ওলাই আহিছে দেশৰ কাৰণে। তাই বীৰাঙ্গনা।

সেইবোৰ এতিয়া ভাবি-গুণি কি লাভ? আৰু ভাবিয়েই-বা সি কি কৰিব পাৰে? অৱশ্যে অন্যায়বোৰ দেখি শুনি তাৰ কিবা এটা তাণ্ডৱ আঘাত লাগিছে, মনটো বিদ্ৰোহী হৈছে। সেইখিনিকণো সহজভাবে লব পাৰি!

বহুত চেষ্টা কৰিও যোগানন্দই কিন্তু কথাবোৰ সহজ কৰি লব নোৱাৰিলে। তাৰ জীৱনত এনেকুৱা ঘটনা ঘটা সি দেখা নাই। সি বায়ুৰ নিচিনা প্ৰচণ্ড গতিৰে গৈ যিকোনো কামকে সমাধা কৰি আহিব পাৰে; কিন্তু আজি তাৰ সেই গতিত যেন এক তাণ্ডৱ যতি পৰি গ'ল।

দু চিন্তাৰ এটা অতলস্পৰ্শী গহ্বৰ মাজলৈ সি সোমাই গৈ আছে; তাৰ অনুভূতি যেন লুপ্ত হৈ যাব ধৰিছে আৰু সেই লুপ্ত হৈ যাব ধৰা অনুভূতিক যেন সি তাৰ বজ্ৰমুষ্টিত কঠোৰভাবে ধাৰণ কৰি আছে।

তিনিদিন আগতে বুকু আৰু পিঠিত পুলিচৰ লাঠিৰ প্ৰচণ্ড কোব খাই বিষত জৰ্জৰিত হৈ থকা অৱস্থাতে অলপ-চলপকৈ প্ৰসঃ বেদনাও অনুভৱ কৰিছিল যদিও। বুকুখন ক্ৰমে গধুৰ হৈ গৈছিল, উশাহ-নিশ্বাহ ভালদৰে লব নোৱাৰাকৈ কিবা ধৰণৰ অসুবিধাটো ক্ৰমে বেছি হৈ আহিছিল আৰু অৱশেষত প্ৰসঙ্গ যন্ত্ৰণাত তাই চটফটাইছিল।

যন্ত্ৰণাই তাইৰ শেঁতা ওঁঠদুটি কঁপাই তুলিছিল। তাইৰ স্বামীয়ে তাইক এৰি থৈ গৈছে, তাইৰ দেহাটোৰ যেন প্ৰতিটো অঙ্গ এটা এটাকৈ খহি যাওঁ খহি যাওঁ কৰিছে; অথচ সিহঁতে একেবাৰে যাব পৰা নাই কিবা এক মায়াত। জীৱনৰ সৰ্বস্বই বিদায় লৈ গৈছে; তাইৰ নিজৰ অস্তিত্বক থিয় কৰি ৰখাজন আৰু নাই, তথাপি তাই কিবা এটা প্ৰস্তুতি চলাইছে আৰু সেই প্ৰস্তুতিৰে হাচিনাই কিবা এটা ৰাখি যাব খুজিছে—তাই আৰু তাইৰ মৰমৰ পতিজনৰ সংযুক্ত স্থিতিৰ শেষ এটা চিন স্বৰূপে।

চকু দুটা মুদি তাই বিচনাত চিৎ হৈ পৰি চটফটাই আকৌ এবাৰ উঠিবলৈ চেষ্টা কৰিলে—পৰা নাই! তাইৰ ক্ষীণ আৰু লাগী দেহাটোৰ সমস্তখিনি পেটৰ ভৰত হৈ পৰিছে অস্থিৰ। কষ্টত তাই নিজেই দুয়োখন হাত পেটৰ ওপৰেদি বাৰে বাৰে বগৰাবলৈ চেষ্টা কৰিলে, পুলিচৰ কোবত ঘাৱৰ মঙহ ফাটি যোৱা অংশটোৰ বিষ বেদনাত তাই হাত দুখনো লৰচৰ কৰিব পৰা নাই।

হাচিনাৰ সমগ্ৰ সত্বাটোৱে তাইক অপেক্ষা কৰাইছে এটি মাত্ৰ মুহূৰ্তলৈ—যিটো মুহূৰ্তৰ কথা তাই জানে অথচ অনুভৱ কৰিব নোৱাৰে।

তাই অনুভৱ কৰিলে: ক্ৰমে ক্ৰমে হাচিনাৰ বাকী থকা দৈহিক শক্তি যেন কোনোবাখিনিত পুঞ্জীভূত হৈছেগৈ।

হঠাৎ তাই এটা অদ্ভুত ধৰণৰ পেঙনি মাৰি উঠিল। পেঙনিটোৰ মাজেৰে অনুভূত হ'ল তাইৰ দেহৰ সমস্ত শক্তি-খিনি যেন কিহবাত প্ৰয়োগ হৈছে।

তাৰ পিছত এক শিশুৰ কান্দোন।

ভিতৰত বহু নাৰী কণ্ঠই কলৰব কৰি উঠিল আৰু তাৰ

পিছত হোঁৱা দৌৰাদৌৰিয়ে ভতালিকে এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰিলে। তাৰ মাজতে কোনোবা এজনীয়ে চিঞৰি উঠিল, "তাইক ধৰ—পানী দে, পানী ……।" কোনোবা এজনীয়ে চিঞৰিলে, "ডাক্তৰক মাত—ডাক্তৰক আন ………।"

তাইক কেবাজনীয়ে ধৰিলেগৈ, চকুৰে মুখে পানী মাৰিলে।

হাচিনাই দুৰ্বল কেঁকনি এটা মাৰিলে, এবাৰ চকু দুটা মেলি মুৰ তুলি চাবিওকালে ঘূৰি চালে। তাৰ পিছত এটা শুনা-নুশুনা থৰথৰ ক্ষীণ কেঁকনি …… তাৰ পিছত আকৌ চকু মুদিলে …, তাৰ পিছত কষ্টকৰ এক দীঘলীয়া শ্বাস-প্ৰশ্বাসৰ প্ৰচেষ্টাত চিত হৈ পৰি থকা অৱস্থাত হাচি-নাৰ বুকুখনে দ্ৰুতাৱমান উঠা নমা কৰি হঠাতে বৈ গ'ল।

আকৌ চকু মুদি তাই শুই পৰিল।

হাচিনাৰ চকু দুটা মুদ খাই থাকিল, বুকুৰে পুনৰ উশাহ-নিশাহ লৈছে বুলি অনুভৱ কৰা নগল। এজনীয়ে চিঞৰি উঠিল, "এইজনী গল—এইজনী গল ……।"

ভিতৰত কি ঘটিছে কি নঘটিছে সকলো কথাৰ কাৰণে উদগ্ৰীৱ হৈ থকা বহুত পুৰুষ মানুহৰ মাজৰে এজনী দৌৰি আহি ক'লে, "তাইও গল, তোমালোক আহা।"

একধৰণ কাতৰ নিচিনাকৈ উৰি যোৱাৰ দৰে দৌৰ মাৰি ভিতৰলৈ সোমাই গল যোগানন্দ। পাছে পাছে বহুজন।

যোগানন্দই মন কৰিলে : হাচিনা শুই আছে। তাইৰ যেন এতিয়া আৰু একো কৰলৈ নাইকিয়া, কৰ লগা গোটেই-বিলি কথা যেন তাই সেই কোঠালীটোৰ ভিতৰত আৰম্ভ হৈ থকা বাৰুখিনিক কৈ গল।

সি একেধৰে হাঁচিনাৰ কালৈ চাই থাকিল।

একেথৰে সি চাই থাকিল : ইমান সোপা মানুহৰ কোলাহলৰ মাজতো এক ভয়াবহ নিবৱতা। সেই নিবৱতাৰ মাজত তাই শুই আছে—এবা এক ভয়ংকৰ নিবৱতা।

হঠাৎ কোঠালীৰ আবদ্ধ বতাহখিনিত এক বৃহৎ খল-কনি তুলি ঘেক্‌ঘেককৈ হাঁহিবলৈ ধৰিলে যোগানন্দই।

সি কিছুপৰ হাঁহি থাকিল।

তাৰ পিছত তাৰ হাঁহিৰ খলকনি ক্ৰমে ক্ৰমে কমি আহিল আৰু একেবাৰে শেষ হৈ সেই হাঁহি এক কান্দোনলৈ ৰূপান্তৰিত হ'ল। এটা সৰু ল'ৰাৰ নিচিনাকৈ সি ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে আৰু এটা সময়ত তাৰ কান্দোনো মাৰ গ'ল।

এইবাৰ যোগানন্দই অলপ ঘাউলি মন কৰিলে—সেই কেচুৱাটোক এজনী কোনোবাই ধুই-পখালি তুলি লৈছে।

সি আৰু এখোজ দেং মেলি বেঁচিকৈ ঘাউলি তাঁলকৈ চালে।

কেৰাজলীয়ে কোৱাকুই কৰা তাৰ কাণত পৰিল—সন্তানটো ল'ৰা।

যোগানন্দৰ চকুৰ আগত ভাহি উঠিল কিবাকিবি কথা, কিবাকিবি ছবি ‥ ‥ লছিকে দি থোৱা সেই নামটো 'তেজ'।

তেজ।

সেয়া লতিকৰ 'তেজ'!

কেচুৱাটো সি এবাৰ হাতেৰে চুই চাবলৈ মন কৰিলে, এবাৰ মন কৰিলে হাতত তুলি লবলৈ—এবাৰ মৰম কৰি

তাৰ কঁপালত হাত দি তাক কিবা এটা আশীৰ্বাদৰ নিচিনা বস্তু দিবলৈ তাৰ প্ৰবল ইচ্ছা হ'ল।

সি কৈ উঠিল, "কেচুৱাটো মই নিম …… লভিকে মোক সেই কেচুৱাটো অৰ্পণ কৰি গৈছে ……… ।"

আকৌ তাৰ চকু কেচুৱাটোৰ ওপৰত স্থিৰ হৈ ৰৈ গল : যোগানন্দই সেই থৰ লগা দৃষ্টিৰে দেখা পালে সেই কেচুৱা ল'ৰাটো—সি হাঁহিছে—সি খোজ কাঢ়িছে—সি পেণ্ট-চোলা পিন্ধি দৌৰি ফুৰিছে—ধুনীয়া পোছাক পিন্ধি কান্ধত ..কিতাপৰ মোনা লৈ স্কুল……আৰু তাৰ পিছত ………

॥ ছয় ॥

সেই প্ৰথম দিনৰ কাৰণে নি.সঙ্গ নিঃসঙ্গ লগা ঘৰখন অতি প্ৰাণৱন্ত হৈ উঠিল। সময়ে সময়ে কেচুৱাৰ কান্দোন লৰা-ধপৰা, বুঢ়ী আইতা নৰেশ্বৰীৰ এবাৰ নোৱাৰা ব্যস্ত-তাই ঘৰখনক অধিক সজীৱ কৰি তুলিলে। ঘৰত বহুত নতুন বস্তু সোমাল কিছুমান পুৰণি বস্তুৰ নতুন নতুন ব্যৱ-হাৰ চলিল ; যেনে—

: এটা পাচিত ধান-খেৰ আৰু তাৰে ওপৰত কাপোৰ পাৰি দিয়া এখন বিচনা ;

: ভুইঁত একুৰা উমি উমি জ্বলি থকা জুই ; কাৰণে এটা সৰু ছাইৰ দম ;

: ভুইঁৰ জুই ৰ্বোৰ ক'ষতে এটা মাটিৰ টেকেলিত

এটেকেলি তপত পানী ।

: কিছুমান সক সক কাপোৰৰ টুকুৰা—এবাল বটীত ওলোমাই থোৱা ;

: গাখীৰ খুৱাবৰ কাৰণে ৰবৰৰ 'নেপুল' লগোৱা এটা বটল, এটা বাতিত পানী—কাষতে এখন চামুচ ;

: এটা অকণমান পিতলৰ বাটিত নহক ভাজি লোৱা তপত তেল ;

" এটা কিবা সংমিশ্রিত গোন্ধ ।

পাচিৰ ওপৰত খেৰৰ বিচনাখনত কেচুৱাটো শুৱাই থৈ কাষতে নৰেশ্বৰী আইতাই মূঢ়া এটাৰ ওপৰত বহি থকাটো এটা এবাৰ নোৱাৰা কাম হ'ল । যোগানন্দই এবাৰ মাকক কৈছিল, "পাচিত যে ৰাখ তাতকৈ সৰু খাট এখনকে কৰিবলৈ দিওঁদে—সেইযে বাকচৰ নিচিনা—যৰতো ৰাখিব পাৰি বাহিৰতো ৰাখিব পাৰি......"

মাকে কৈছিল, "সেইবোৰ দিবৰ হোৱা নাই অ' বোপাই, বাগৰিব পৰা বা খিৱ-দণ্ডা দিব পৰা সকলৰ বাবেহে সিবোৰ ; এনেকুৱা বয়সত পাচিয়েই ভাল—বিচনাৰে সৈতে দুখ নোপোৱাকৈ দাঙি অনা-নিয়া কৰিবলৈকো ভাল, কাপোৰ-কানি সলাই দিবলৈকো ভাল আৰু কেচুৱাই খেৰৰ পৰা লগা উমখিনিও পাই থাকে ।"

এবাৰ যোগানন্দই তাৰ মাহীয়েকে তেনেদৰে কেচুৱাক শুৱাই ৰখা দেখিছিল—হয়, গাওঁৰ কেবাঘৰতো দেখিছিল—তাৰ মনত পৰিছে । গতিকে সি একো নক'লে ।

টোকনৰ ওপৰত ভৰ দি দি আহি দিগম্বৰৰ মাক বুঢ়ীৰ কাষতে পাৰি থোৱা পীৰাখনত বহিল ।

"—কিনো কৰিছা ?"

"কাপোৰখিনি বগলাই দিছোঁ বা—সি হাঁগিলে।" অলপ বৈ আকৌ ক'লে, "বাতিৰে পৰা তাৰ ডিঙিটো খেৰ্‌খেৰাই আছে—ভালকৈ উশাহ লব পৰা নাই।"

"নহক ভজা তেল গাত মালিচ কৰি দিলা জানো ?"

"—দিলোঁ এবাৰ ; আৰু এবাৰ দিব লাগিব। গোটেই বাতিটো সি শুব পৰা নাই—আমনি কৰি আছে। আৰু কি হৈছে জানা ? যোগোৱে তাক কোনোবা ডাক্তৰে খাবলৈ দিয়া পিল এটা আনি মোৰ হাতত দিলে আৰু ক'লে—'এই পিলটো খুৱাই দে, ভাল হৈ যাব।'"

দুয়ো হাঁহিলে।

মাকে মন্তব্য কৰিলে, "এই জধলাটোৰ লগত আৰু নোৱাৰি।"

কাষতে থকা তামোলৰ বটাটোৰ তলফালৰ সুৰুঙাটোৰ পৰা কেখিলামান পান উলিয়ালে। বাকলি এফালাই থৈ দিয়া তামোল নফলাকৈ আছিল। নফলা তামোলটোৰে সৈতে ইজনীলৈ বটাটো আগবঢ়াই দিলে, মুখেৰে একো নক'লে। ইজনীয়ে কটাৰীখন বাওঁহাতেৰে মচিলে আৰু তামোল কাটে মানে নবেশ্বৰী আইতাই উঠি গৈ খুন্দনাটো ভিতৰৰ পৰা লৈ আহিল আৰু ক'লে,

"সাৰ পায় বুলি যোগোৱে তাৰ ওচৰত তামোল খুন্দিলে বেয়া পায়। সেইদেখি ভিতৰতে একেলগে কেখন-মান খুন্দি লৈ টোপোলাটোত লওঁ। পিছে খুন্দি খোৱা তামোল সেৰেকি যায়।"

ইজনীয়ে মন্তব্য কৰি ক'লে, 'সেই তামোলত জুতি

মুঠে। মইযে একেবাৰে নোৱাৰোঁ।"

পাচিৰ কেঁচুৱাটোৱে হাতদুখন লৰাই কান্দি উঠিল। দিগম্বৰৰ মাকে ক'লে, "হেই-ম্মা, উঠিলেই।"

আইতাই কেঁচুৱাটোক তুলি লব খুজিছেহে, এনেতে যোগানন্দই দুয়োখন হাতত দুটা টোপোলা আনি মাকৰ কাষত থোৱাৰ আগতে ক'লে,

"এয়া ল' গাকৰ কাপোৰ আৰু সৰিয়হ। সৰিয়হ এইখিনিৰে হবনে মা—কাপোৰ কিন্তু ঠিকেই হব।"

আইতাই দেখিলে—সি এগজমান গাকৰ কাপোৰ আৰু পাঁচকিলোমান সৰিয়হ আনিছে।

"হেৰৌ, তোক ইমান সোপা আনিবলৈ কোনে কৈছিল?"

"কেলেই গাৰু এটা সৰিয়হেৰে কৰি দিব লাগে বুলি কৈছিলাচোন। বোলে সৰিয়হৰ 'গাকত শুৱালে মূৰৰ চাইজ ধুনীয়া হয়।"

দুয়ো বুঢ়ী হাঁহিলে। ইজনীয়ে ক'লে,

"এই অকণমান ল'ৰাটোক কিমান ডাঙৰ গাৰু লাগে' তই ভাবো নাজান নেকি?"

যোগানন্দই একো নামাতিলে। সি আনটো টোপোলা খুলি কেইটামান বেলুন, এটা জুনুকা আৰু এটা সৰু চার্ট এবিধ এবিধকৈ তেওঁলোকৰ আগত থ'লে আৰু তাৰ পিছত চোলাৰ তলৰ জেপত হাত ভৰাই কাগজেদি মেৰুৱা সৰু টোপোলা এটি মাকৰ হাতত দি ক'লে,

"এয়া ল'—সি কান্দিলে খুৱাই দিবি।"

বুঢ়ীয়ে টোপোলাটো খুলি চাই হো হোকৈ এটা হাঁহি মাৰিলে আৰু হাঁহিৰ কাৰণে মুখেৰে একো মাত্তিৰ নোৱাৰা-

কৈয়ে টোপোলাটো ইজনী বুঢ়ীলৈ আগবঢ়ালে। এক সংক্রামক বেমাৰে পোৱাৰ নিচিনাকৈ ইজনী বুঢ়ীয়েও একে শব্দ তুলি হাঁহিবলৈ ধৰিলে।

কিবা এক শংকা, কিবা এক আশ্চৰ্য্য মিহলি কৰি যোগানন্দই ঘটনাটো কি একো ধৰিব নোৱাৰি দুয়ো বুঢ়ীলৈ চাই বুজিলে যে কিবা এটা নলগা কাম সি কৰি পেলাইছে। সি সুধিলে,

"– কি হ'ল ?"

ইজনীয়ে টোপোলাটো তালৈ আগবঢ়াই দেখুৱাই সুধিলে, "এয়া কি ?"

"—লুজন "

দুয়ো বুঢ়ী আকৌ হাঁহিলে। তাৰ পিছত মাকে ক'লে, "হেৰ' গৰু, লুজন দি ভুকুকিয়াবলৈ তাৰ বয়স হৈছে নেকি ?"

যোগানন্দই নিজাকৈ যেন কথাটো এবাৰ গমি চালে। সি একো নামাতিলে।

তাৰ পিছত বেলুন আৰু জুনুকা এটা এটাকৈ দাঙি লোৱাৰ পিছত দোকানৰ পৰা জাপি অনা চোলাটো খুলি চাই এইবাৰ দুয়ো বুঢ়ী বাগৰি বাগৰি হাঁহিলে। ইজনীয়ে সৰু চাৰ্টটোৰ হাতৰ বাহু দুটাত আঙুলিৰে ছেপি ধৰি দাঙি দাঙি হাঁহিৰ মাজতে যোগানন্দক যি কথা বুজাব খুজিছিল সেই কথাখিনি যোগানন্দই কিন্তু বুজি পালে আৰু ক'লে,

"থৈ দিলে ডাঙৰ হৈ হব ·· ··· ··।"—কিবা বুজিব লগা কথা এটা বুজি নাপাই কৰা কামৰ কাৰণে লাজ লগাৰ নিচিনা ভঙ্গী কৰি ঘৰৰ ভিতৰ সোমালগৈ।

॥ সাত ॥

ৰাইজে স্থিৰ কৰিছিল তাত শ্বহীদ ভৱনটো সাজিব। স্কুলঘৰৰ পশ্চিমে ৰাজহুৱা মাটিখিনি। তাৰে লগতে থকা আৰু এবিঘা মাটি দান কৰিলে বিশ্বনাথে। মাটি প্ৰায় তিনি বিঘা হ'ল। ভৱনটোৰ নাম হ'ব 'শ্বহীদ লতিফ ভৱন'। কেজনমানে গৈ গুৱাহাটীৰ কোনোবা এজন ইঞ্জিনিয়াৰক ধৰি ঘৰ আৰু চৌহদটোৰ পুৰা নক্সা এখনো কৰাই আনিছে—

: ঘৰটো হ'ব পুৱা-পশ্চিমাকৈ ;

: ভিতৰত থাকিব পাঁচ-শ চকী পাৰি মেল-মিটিং কৰিব পৰাকৈ এটা সভাঘৰ ; তাত এখন আহল-বহল মঞ্চও থাকিব—আৱশ্যক মতে তাত থিয়েটাৰ বা অন্য সাংস্কৃতিক অনুষ্ঠানো পাতিব পৰা যাব ;

: পুথি-ভঁড়ালৰ কাৰণে ঘৰটোত আৰু এটা অংশ থাকিব। তাত থাকিব অন্ততঃ পঞ্চাশজন মানুহে বহি কিতাপ পঢ়িব পৰাকৈ চকীৰ ব্যৱস্থা, এখন ডাঙৰ মেজৰ চাৰিওফালে বহি বাতৰি কাকত পঢ়াৰ সুবিধাৰে বেঞ্চ আৰু চকী থাকিব। কোঠাতে বহি লিখা-কাম কৰিবৰ সুবিধাৰে পুথিভঁড়ালৰে দুটা কোণত দুটা সৰু সৰু কোঠালীও থাকিব ;

: ভৱনটোৰ ভিতৰত এটা কাৰ্য্যালয়, আভ্যন্তৰীণ খেল-বেদীকা, এটি ভঁড়াল, বিবিধ বিষয়ৰ প্ৰশিক্ষণ আদিৰ কাৰণে একোটা সুকীয়া সুকীয়া ডাঙৰ ডাঙৰ কোঠালী।

: ভৱনৰ সন্মুখতে থাকিব ওখ বেদীৰ ওপৰত মাৰ্বলেদি

সজা লভিতৰ এটা পূৰ্ণ-দেহাৱয়ৱ আকৃতিৰ প্ৰতিমূৰ্তি। মূৰ্তিটোৰ এখন হাত ওপৰলৈ এনে ধৰণেৰে দঙা থাকিব যেন হাতৰ মুদ্ৰাটোৱে চিৰদিনে মানুহক কিবা এটাৰ বাবে আহ্বান দি আছে।

ঃ মূল ঘৰটোৰ সম্মুখৰ খোলা ঠাইখিনিত থাকিব গোটেইখন আগুৰি এখন উদ্যান আৰু তাৰেই এটা কাষত এখন শিশু উদ্যান।

নিৰ্মাণৰ কামখিনি কৰিবলৈ সদ্যহতে আৱশ্যক হব দুই লাখ টকা।

বাইজে ঠিক কৰিছিল: কবৰ দিয়াৰ দিনাখনেই হোৱা তৰ্পণ অনুষ্ঠানত গোট খোৱা হাজাৰ হাজাৰ মানুহে লভিতৰ স্মৃতিৰ কাৰণে যি দান দিছিল তাৰ মুঠ পৰিমাণ হৈছিল চাৰে চাৰি লাখ। তাৰে দুই লাখ সদ্যহতে ইফালে খৰচ কৰি বাকীখিনি টকা বেংকত স্থায়ী জমা কৰি ৰাখিব আৰু তাৰ পৰা পোৱা সুতেৰে অনুষ্ঠানটো চলাই থাকিব।

কোনোবাজনে সভাত পৰামৰ্শ দিছিল যে জমা থোৱা ধনৰ পৰা লভিতে এৰি থৈ যোৱা ল'ৰাটোৰ ভৱিষ্যতৰ কাৰণেও এটা পুঁজি গঠন কৰিব লাগে। কথাষাৰ শুনি-য়েই যোগানন্দৰ খঙে চুলিৰ আগ পাইছিল আৰু এক প্ৰকাৰ গৰ্জি উঠাৰ নিচিনাকৈ কৈছিল: "যোগানন্দ কাকতি মৰা নাই—সেই ল'ৰাক বাপেকে মোক দি গৈছে ……… তাৰ দায়িত্ব মোৰ ……।"

সিদিনা আছিল শহীদ লভিত ভৱনৰ আধাৰশিলা স্থাপনৰ দিন। সকলো আয়োজন হৈছিল ঠিকমতে। আগ-

দিনা বাইজৰ বয়সস্থ কোনো কোনোৱে আধাৰশিলা স্থাপনৰ কাৰণে কোনোবা এজন ডাঙৰ মানুহক মতাৰ প্ৰস্তাৱ কৰিছিল। প্ৰস্তাৱ শুনি যোগানন্দই বিৰোধিতা কৰি প্ৰশ্ন কৰিছিল—ডাঙৰ মানুহ মানে কি? সেই একেটা প্ৰশ্ন অঞ্চলটোৰ উঠি অহা ডেকাছামেও কৰিছিল আৰু যোগানন্দক সমৰ্থন কৰিছিল। কোনোবা এজনে কৈছিল "......... তোমালোক বয়স্কসকলে আগতে কিছুমানক ডাঙৰ মানুহ বুলি যি ভুল কৰিলা সেই ভুলৰ প্ৰায়শ্চিত্ত আমি কৰিব লগা হৈছে—গতিকে আমি সেই ভুল কৰি আমাৰ ভৱিষ্যতৰ অভিশাপ দূৰ পাতি লবলৈ বাজী নহয়। ডাঙৰ মানুহবোৰক আমি চিনি পাইছোঁ.........।"

এই কথাখিনিৰ লগে লগে ইমান হাতচাপৰি উঠিছিল যে এটা সময়ত কওঁতাজনে কথা বন্ধ কৰি দিব লগা হৈছিল।

বয়সস্থসকলৰ মাজৰ পৰা সোণেশ্বৰ গাওঁবুঢ়াই থিয় হৈ কৈছিল, "বোপাইহঁত, আমাৰ ডাঙৰ মানুহ বিলাকে আগাৰেই চকুত জলকীয়াৰ গুৰি মাৰি আমাক অন্ধ কৰিছিল; এতিয়া তহঁতৰ চকু সূকৰ হ'ল। ভগৱন্তই পুৰুষে তহঁতক শক্তি দিয়ক।"

গতিকে 'ডাঙৰ মানুহ' মতাৰ প্ৰস্তাৱটো পেটৰ কেচু পেটতে মৰিল। বাইজে সিদ্ধান্ত কৰিছিল যে পিচদিনা বাতিপুৱা প্ৰথম খুঁটাটো পুতিব লগা গাতত বাইজৰ সকলোৱে ফুল দিব আৰু তাত এগছি চাকি জ্বলাব। গীতা, কোৰাণ, বাইবেল, গ্ৰন্থ-চাহেব পাঠো হব আৰু নামকীৰ্ত্তনো চলিব।

সেই অনুসৰি যথাযথ আয়োজন হৈ উঠাৰ পিছতেই

মানুহবোৰে কোৱাকুই কৰিলে : খুটাৰ কাৰণে খুন্দা গাভত ফুলটো প্ৰথমতে কোনে দিব ? কথাষাৰ যোগানন্দয়ো এবাৰ নিজাকৈ ভাবিলে। তাৰ পিছত সমাজৰ মাজৰ পৰা হঠাতে সি ওলাই গল। অলপ পিছত কাপোৰেৰে ঢকা পাচি এটা কান্ধত লৈ যোগানন্দ আকৌ সমাজৰ মাজলৈ আহিল। সকলোকে আচৰিত কৰি সি পাচিটো নমায়েই নতুন গামোচা এখনেৰে মেকুৰা টোপোলা এটা অতি আলফুলকৈ ধৰিলে।

সকলোৰে দৃষ্টি যোগানন্দৰ হাতলৈ। এক নিৰ্বাক কৌতুহল। থিয় হৈ থকা অৱস্থাতে বাওঁহাতেৰে টোপোলাটো ধৰি সোঁহাতেৰে কাপোৰখন আঁতৰাই সি ক'লে,

"গাভত প্ৰথম ফুল দিবলৈ মানুহৰ অভাৱ হোৱা নাই।"

সকলোৰে দৃষ্টি আৰু তীক্ষ্ণ হ'ল।

এইবাৰ ৰাইজৰ সকলোৱে দেখাকৈ দাঙি দাঙি উৎফুল্ল হৈ ক'লে, "........ মানুহৰ অভাৱ হোৱা নাই।"

বিশ্বনাথে এ-কাষ ডালৰ নিচিনাকৈ কুঁজা হৈ এটা প্ৰশ্নসূচক দৃষ্টিৰে ভালদৰে যোগানন্দৰ হাতৰ বস্তুটোলৈ চালে আৰু প্ৰায় আটাহ পাৰি উঠাৰ নিচিনাকৈ ক'লে, "কেচুৱা—," তাৰ পিছত আৱেগ অভিভূত হৈ সুধিলে, "লতিফৰ সন্তান ........ কেচুৱাটো ...... সি ?"

"—এৰা সি।"

মুহূৰ্ততে কিবা এটা পৰিবৰ্তন হৈ গল, চাৰিওফালৰ পৰা হাত-চাপৰি, হাঁহিৰ কিৰিলি আৰু আনন্দ-বোলৰ ঝঙ্কাৰ বহু দূৰলৈ বিয়পি গল, মুখৰিত হৈ পৰিল সভাস্থলী।

এইবাৰ যোগানন্দ আৰু আগুৱাই গল। আগত ৰাখি থোৱা শৰাইৰ পৰা এপাহ গোলাপ হাতত তুলি ল'লে।

কেচুৱাটোৰ হাতৰ মুঠি বন্ধা আছিল, খুলিলে আৰু তাত ফুলপাহ দি কেচুৱাটোৰ সৈতে গাভৰুটোৰ ওচৰলৈ আগুৱাই গ'ল। ল'ৰা-ছোৱালী, পুৰুষ-মহিলাই সিহঁতক বেৰি ধৰিছে।

কেচুৱাটোৰ হাতখন গাতটোৰ ওপৰলৈ আগুৱাই দি পুনৰ মুঠিটো খুলি দিয়াৰ লগে লগেই ফুলপাহ গৈ গাতত পৰিল। লগে লগেই সমবেতসকলৰ মুখৰ পৰা হৰিধ্বনি ওলাল, উৰুলি ধ্বনি দিলে, ডেকা কেইজনমানে জয়ধ্বনি দিলে আৰু কোনোবা এজনে আজান দিলে "....."।

অপৰিকল্পিতভাবে ইমান সুন্দৰ, ইমান হৃদয়গ্ৰাহী এটা অনুষ্ঠান হৈ উঠাত যোগানন্দৰ দুচকুৰেদি দুধাৰ চকুলো বৈ গ'ল। সি থ'তে আছিল ত'তেই চকু মুদি থিয় হ'ল আৰু কেচুৱাটোক তেনেভাবে বুকুত সাৱতি লৈ কিবা প্ৰাৰ্থনা কৰাৰ নিচিনা কৰিলে ; তাৰ পিছত চকু দুটা মেলেলাকৈয়ে ক'লে, "এয়া লতিফ ভায়াৰ সপোনৰ 'তেজ'—তেজক সি জীৱন্তে নেদেখিলে—এতিয়া সি দেখি থাকক ; এই তেজৰ শক্তি সি ওপৰৰ পৰাই এদিন আৰু ভালকৈ দেখিব ........"

তাৰ পিছত আকৌ ক'লে, "আমিও যেতিয়া বুঢ়া হম তেতিয়া এনেকুৱা তেজবোৰ আৰু তেজৰস্ত হৈ উঠিব আৰু.." যোগানন্দই গাওঁবুঢ়ালৈ চাই সুধিলে, "ডেকা-হঁতৰ দেহলৈ কি আহিব বুলি কৈছিলা ?"

গাওঁবুঢ়াই উত্তৰ দিয়াৰ আগতেই বহুজনে একেলগে উত্তৰ দিলে "........ শক্তি আৰু সুৰুয।"

"—ঠিক ইহঁতৰ চকুলৈ আৰু বেছি পোহৰ দিয়া সুৰুয আহিব ....... ।"

কিবা এক নতুন আনন্দত সি যেন আপ্লুত হৈ পৰিল।

কেচুৱাটোক সি বুকুত লৈ ভালদৰে সাৰতি ধৰিলে ; তাৰ পিছত পুনৰ ঘৰলৈ লৈ আহিল ।

নৰেশ্বৰী আইতাৰ কাষত কেচুৱাটো দি সিও তেজৰ নিচেই ওচৰতে বহি ল'লে । তালৈ চাই চাই যোগানন্দই অনুভৱ কৰিলে যেন কিবা এটা তৃপ্তি লাভ কৰিছে।

বহু কথাৰ বহু স্মৃতিৰ কদ্ধ হৈ যাব ধৰা দুৱাৰখন যেন হঠাৎ আকৌ মেল খালে, বহুত দৃশ্যাই তাৰ মনৰ মাজত একেলগে থিয় দিলেহি। পাৰ হৈ যোৱা দিনবোৰৰ কথা পিছলৈ ঠেলা মাৰি দিয়াৰ নিচিনাকৈ দি মনটোক অধিক সতেজ, অধিক ৰঙীন কৰি তুলিলে—যেন আৰম্ভ হ'ল জীৱনৰ আৰু এক ,নতুন অধ্যায় ।

তেজৰ কালে বিমানে চাইছে অনন্ত বিশ্বৰ এক নতুন দিগ্বলয় চোৱাৰ দৰে তাৰ হেপাঁহ যেন বাঢ়ি গৈছে :

টুপজিৰৰ দিনা দেখাতকৈ লৰাটো এতিয়াচোন বেলেগ ধৰণৰ ধুনীয়া হ'ল, যেন হাতী দাঁতৰ নে মমৰ এটি মৰম লগা—কোমল কোমল লগা ······ চকু দুটা ···· হাত দুখন ' মুখখন ······· ইচ্, ইমান মৰম লগা ! হাঁহিলে কেনেকুৱা লাগিব বাৰু ! কেচুৱাই হেনো সপোন দেখি টোপনিতে হাঁহে, সিনো সপোনটো দেখিবৰ হোৱা নাই নে !"

এই সৰু লৰাটিয়ে বাৰু পৃথিৱীত কি ঘটিছে কি নঘটিছে জানেনে ? সি নেদেখিলে-নাজানিলে বাপেক লতিফক, মাক হাচিনাক, নাজানিলে তাৰ জন্ম-ক্ষণটোৰ কাৰুণ্যৰ কথা । এটা দিন তাৰ কাৰণে আহিব যিটো দিনত সি মাথোন প্ৰশ্নকে কৰিব—বহুত প্ৰশ্ন কৰিব ········ !!

ঃ তাৰ মগজুত এদিন বহুত প্ৰশ্নই ক্ৰিয়া কৰিব ;

: প্ৰশ্নবোৰেৰে সি নিজে কিমানি ব্যস্তি ব্যস্ত হৈ পৰিব ;
: প্ৰশ্নবোৰৰ কিছুমানৰ উত্তৰ সি পাব ; কিন্তু হয়তো আৰু বহুত নাপাব যাৰ কাৰণে সি চিৰদিনে ……

নহয়—নহয়, সেইবোৰ প্ৰশ্ন তাক কৰিব'ল দিব নোৱাৰি। সি কোনোকালে নাভাবিব যে সি আচলতে লতিফৰ……।

লতিফৰ কথা মনত পৰাৰ লগে লগে সেই ল'ৰাটোক যেন আৰু বেছি আপোন বেছি আপোন লাগিল, লতিফ যিমান ধুনীয়া আছিল তাতোকৈ বেছি ধুনীয়া লাগিল তাক :

চকুৰে-মুখে, নাকে-কাণে ভাবিব নোৱাৰাকৈ ধুনীয়া পুতলা এটা তাৰ সন্মুখত শুই আছে—এটা ঠিক দোকানৰ পৰা কিনি অনা পুতলাৰ নিচিনা ধুনীয়া। দোকানীটোৱে কোম্পানীত ঠিক এটাহে পুতলা পালে আৰু সেই একমাত্ৰ পুতলাটোকে সেই কোম্পানীটোৱে তৈয়াৰ কৰিলে। ইমান ধুনীয়া পুতলাটো সাজি উঠি কোম্পানীটোৱে বহুত ভাবি চিন্তি এটা মাৰ্কা মাৰিলে—যিটো মাৰ্কাত লিখা থাকিল একমাত্ৰ এটা নাম—'তেজ'।

তেজ !

বহুত আশা বহুত ভৰষা কৰিছিল লতিফে এদিন এই তেজৰ মাজেদি আৰু সেই তেজ আজি যোগানন্দৰ সন্মুখত…।

শ্বহীদ লতিফ ভৱনৰ আধাৰশিলা স্থাপন কৰি গাওঁৰ ডেকাবোৰ নিশাকৈকে তাত আছিল। এবাৰ লবাইতে কিৰিলি পাৰি উঠিল আৰু তাৰ পিছত জয়ধ্বনি :

"সজা বজাৰ গোঁফত তেল—বাইজক এৰি নহয় খেল"

আমাৰ দাবী মানিবই লাগিব—বিদেশীক খেদা হবই লাগিব ··· ।”

ডেকাইঁতৰ মাজলৈ যোগানন্দ সোমাই অহাৰ লগে লগে কেইজনমানে ক'লে,

“যোগোদা শুনিছানে নাই—জানিছানে নাই ?”

কেইজনমানে যোগানন্দক গৈ সাবতি ধৰিলে আৰু দাঙি তুলি লৈ ক'লে, “যোগোদা, আমাৰ জয় হবই—”

আৰু কিছুমানে জয়ধ্বনি দিলে :

“আব্দুল লতিফ মৰা নাই—অসমৰ ডেকা শোৱা নাই ··· ইনকিলাব—জিন্দাবাদ ·······”

হঠাতে এয়া কি ঘটিছে একো উমঘাম নাপাই যোগানন্দই দিগম্বৰক এফলীয়াকৈ মাতি নি সুধিলে, “কি হৈছে অ' দিগম্বৰ ?”

“—তই শুনা নাই ? ৰেডিঅ'ত আহিছে—মহেশ্বৰ এমেলে তেওঁৰ দলৰ পৰা ৰিজাইন দিছে । তেওঁ বোলে লিখি দিছে যে বিদেশী নাগৰিকৰ আন্দোলনত তেওঁ আৰু বিৰোধিতা নকৰে ।”

কিবা এক সন্দেহ আৰু অবিশ্বাসৰ সুৰত যোগানন্দই এইবাৰ সুধিলে, “ৰেডিঅ'ত কৈছে ?” তাৰ পিছত পুনৰ ক'লে, “ৰেডিঅ'ত মিছা কথা কয়—তইঁতে নাজান নেকি ?”

“এইটো খবৰ মিছা নহয় । ৰেডিঅ'ত শুনিয়েই আমি যেৰাওৰ ঠাইলৈ দৌৰি গলোঁ—সঁচা-মিছা জানিবলৈ । তাত যেৰাও কৰি থকাসকলৰ হাতত তেওঁ লিখি দিয়া কাগজখন পঢ়ি চালোঁ । তাত লিখি দিছে যে তেওঁ বাই-জৰে মানুহ, বাইজকে চিৰদিন সেৱা কৰি আহিছে আৰু নমৰালৈকে সেৱা কৰি থাকিব ······ ।”

যোগানন্দই গোটেই গাটো নতুনকৈ বিছাই ভঙা যেন অনুভৱ কৰিলে। সি চিঞৰি উঠিল, "বিশ্বাস কৰিছ তুইতো? মহেশ্বৰ এমেলে' চিৰদিনে মিছা কথা কৈ আহিছো—মানুহক ভুৱা দি আহিছে, বাইজৰ স্বাৰ্থক" বলি' দি আহিছে…… ।" এইবাৰ যোগানন্দই যেন তাৰ ভবি দুখনতো কিবা" বিষ অনুভৱ কৰিলে।

সি সেই ঠাইত আৰু থিয় হৈ থাকিব নোৱাৰা হ'ল। কথাবোৰ সঁচা হওক—মিছা হওক সেইবোৰে যোগানন্দৰ ধাৰণাৰ পৰিৱৰ্তন কৰিব নোৱাৰে। কিবা এক অসহ্য যন্ত্ৰণাই যেন তাৰ মগজুত হাতুৰীয়ে কোবোৱাৰ নিচিনাকৈ কোবাবলৈ ধৰিলে।

যোগানন্দৰ অতীত জীৱনৰ কথাবোৰে ভৱিষ্যতৰ সন্দেহবোৰৰ লগত একেভাৰে অহা-যোৱা কৰিলে যেন: দুটা বিপৰীত কালৰ পৰা অহা দুখন ৰেলগাড়ীয়ে সমান্তৰাল গতিৰে পাৰ হৈ গৈ পুনৰ চক্ৰাকাৰে ঘূৰি ঘূৰি কোনোবা এঠাইত কাষ চাপে আৰু তাৰ পিছত আকৌ আঁতৰি যায়। বহুত চেষ্টা কৰিও সি তাৰ ভাৱনাক এটা সুস্থিৰ বিন্দুত কেন্দ্ৰীভূত কৰিব নোৱাৰিলে—এই লগ লাগে—এই আঁতৰি যায়।

সি ঘৰলৈ উভতি আহিল। আহিয়েই গুই থকা কেচুৱাটোক দাঙি বুকুৰ মাজত সুমুৱাই ল'লে। তাৰ পিছত কেচুৱাটোৰ মুখৰ ফালে চাই ধ্যানমগ্ন ঋষিৰ দৰে তন্ময় হৈ পৰিল। তাৰ পিছত সি ভাবিলে—

: ই এটা ল'ৰা হব যাক কোনেও আৰু ঠগাব নোৱাৰিব—ইয়াৰ নিচিনা লাখ লাখ ল'ৰা ওলাব……

: চৰকাৰৰ 'ফাইল'ৰ লালসা দেখুৱাই কোনোৱে কাকো ভুৱা দি নিজৰ কাম সিদ্ধি কৰিব নোৱাৰিব ……

: যোগানন্দৰ নিচিনা দেশৰ শক্তিবোৰক পঙ্গু কৰি, ম্লান কৰি, অপচয় কৰি যিসকলে নিজৰ ক্ষমতাৰ কাৰণে কাম কৰি আছিছে সিসকলক এই 'তেজ'বোৰে আৰু সহ্য নকৰিব ……।

যোগানন্দই কেচুৱাটোক বুকুত আৰু ভালকৈ সাৱটি ধৰিলে আৰু তাৰ পিছত দৌৰ মাৰিলে লতিকৰ কৰবৰ কাষলৈ। তাত গোপ হৈ থিয় হৈয়েই চিঞৰি চিঞৰি কবলৈ ধৰিলে,

"হেৰা, শুনা—মোৰ ফাইলটো আৰু ওপৰৰ পৰা আনিবৰ চেষ্টা তোমালোকে কৰিব নালাগে—মই তোমা-লোকক চিনি পাইছোঁ—সেই ফাইলবোৰৰ উৰ্দ্ধত উঠিব হইছে …… মোৰ জীৱনৰ দৌৰৰ সকলো শক্তি মই কেৱল এই নতুন ল'ৰাটোৰ কাৰণে সঞ্চয় কৰিলোঁ, সঞ্চয় বেঙ্কৰ সুতৰ দৰে মোৰ শক্তি সঞ্চিত হৈ বাঢ়ি থাকিব—সুতে-মূলে চক্ৰবৃদ্ধি হাৰত বাঢ়িয়েই থাকিব …… মোৰ সাতাম-পুৰুষৰ দেহৰ শক্তিবোৰক তোমালোকৰ নিচিনা শক্তিবোৰে পঙ্গু কৰি তোমালোকৰ দেহা পুষ্ট কৰিছিলা—সেই পঙ্গু মই নহওঁ—এইবাৰ কোনেও আৰু ষড়যন্ত্ৰ কৰি মোক পঙ্গু কৰিব নোৱাৰিবা। জন্ম লৈয়েই দৌৰিবলৈ লোৱা কেঠীৰ পোৱালীৰ নিচিনাকৈ এই সকল ওলাই আহিছে মোৰ লগত দৌৰি-বলৈ—ওলাই আহিছে লাখ লাখ 'তেজ' ………